# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০২

## খণ্ড - ৪

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# অধ্যায় ১৩ ঃ মান নিৰ্ধাৰণ আৰু মূল্যায়নৰ মৌলিকতা

**অধ্যায় গাঁথনি ঃ**


১৩.০ পৰিচয়

১৩.১ শিক্ষণ উদ্দেশ্য

১৩.২ শিক্ষাৰ্থীৰ অগ্ৰগতিৰ মান নিৰ্ধাৰণ

১৩.২.১ পৰিমাপন, মান নিৰ্ধাৰণ আৰু মূল্যায়ন

১৩.৩ মান নিৰ্ধাৰণ প্ৰক্ৰিয়া

১৩.৩.১ আশাপ্ৰদ শিক্ষণ ফলাফল, শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহ আৰু মান নিৰ্ধাৰণ

১৩.৩.২ বিকাশশীল আৰু সংক্ষেপী মূল্যায়ন

১৩.৪ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন (CCE)

১৩.৪.১ ধাৰণা প্ৰক্ৰিয়া আৰু প্ৰয়োজনীয়তা

১৩.৪.২ CCE-ৰ পৰিমানগত আৰু গুণগত তথ্যৰ ব্যৱহাৰ

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১৩.৬ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি প্ৰশ্নাৱলী

১৩.৭ অধিক জানিবলৈ

১৩.৮ অধ্যায় শেষৰ অনুশীলনী

# মান নিৰ্ধাৰণ আৰু মূল্যায়নৰ মৌলিকতা

**১৩.০ পৰিচয় ঃ**

আগৰ অধ্যায়বোৰত আপোনালোকে শিক্ষণ প্ৰক্ৰিয়া, পাঠ পৰিকল্পনাৰ বিভিন্ন পদ্ধতি আৰু শিক্ষাৰ্থীৰ শিক্ষণৰ সুবিধাদানকাৰী শিকনৰ অভিগমনৰ সৈতে পৰিচিত হৈছে। আপোনালোকৰ দৰে সম্ভাৱনীয়তাপূৰ্ণ শিক্ষক মিচ শীলাই শ্ৰেণী কোঠাত উপযুক্ত শিক্ষণ পদ্ধতি ব্যৱহাৰ কৰি পৰিকল্পিতভাৱে শিক্ষা প্ৰদানৰ উপৰিও শিক্ষাৰ্থীসকলক শ্ৰেণীৰ সকলো কাৰ্যাৱলীত অংশগ্ৰহণৰ বাবে সুবিধা প্ৰদান কৰিছিল। এটা শিক্ষণৰ পাঠ শেষ হোৱাৰ পিছত, মিচ শীলাই কি কৰিব? তেওঁ পিছৰ পাঠলৈ যাব, বা তেওঁ এইটো চাব নেকি যে প্ৰত্যেক শিক্ষাৰ্থীয়ে তেওঁ শিকোৱাৰ দৰে শিকিব পাৰিছেনে আৰু বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত এইবোৰ ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব? তেওঁ কেনেকৈ গম পাব যে তেওঁ শিক্ষণৰ ক্ষেত্ৰত প্ৰকৃত নিৰ্দেশনা প্ৰদান কৰিছে। শিক্ষাৰ্থীসকলে শিক্ষণৰ ক্ষেত্ৰত কিবা অসুবিধাৰ সন্মুখীন হৈছে নেকি? শিক্ষণ আৰু শিকনৰ সফলতা সম্পৰ্কে বহু ধৰণৰ প্ৰশ্ন উত্থাপন হয়। পৰৱৰ্তী পাঠ/বিষয়লৈ যোৱাৰ আগতে মিচ শীলাক প্ৰশ্নসমূহৰ উত্তৰৰ প্ৰয়োজন আৰু ইয়াৰ বাবে উপযুক্ত ব্যৱস্থাগ্ৰহণৰ প্ৰয়োজন। কিন্তু এই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ তেওঁ কেনেকৈ তথ্য আহৰণ কৰিব? তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ বোধৰ পৰীক্ষা কৰিবলৈ প্ৰশ্ন সুধিব পাৰিব, শ্ৰেণীৰ ভিতৰ আৰু বাহিৰত তেওঁলোকৰ কাৰ্যাৱলী নিৰীক্ষণ কৰিব পাৰিব, আৰ্জিত জ্ঞান বাস্তৱ জীৱনত কেনেকৈ প্ৰয়োগ কৰিব পাৰিছে, অন্য শিক্ষক আৰু অভিভাৱকসকলক তেওঁলোকৰ পাৰদৰ্শিতা সম্পৰ্কে সুধিব পাৰিব। তেওঁ অন্য এটা উপায় অৱলম্বন কৰি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে তেওঁ শিকোৱা বিষয় কেনেদৰে আয়ত্ত কৰিব পাৰিছে তাৰ সম্পূৰ্ণ আভাষ পাব পাৰে। চমুকৈ ক'বলৈ হ'লে তেওঁ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ মান নিৰ্ধাৰণ বা মূল্যায়ন কৰিব পাৰে। মিচ শিলাই ভৱিষ্যৎ কাৰ্যপন্থা হাতত ল'বলৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ এটা বা কিছুমান দিশ যিবোৰে তেওঁ গুৰুত্বপূৰ্ণ বুলি ভাবে, সেইবোৰৰ মান নিৰ্ধাৰণ কৰিব পাৰে বা তেওঁ ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ সকলো সম্ভৱানীয় দিশৰ মান নিৰ্ধাৰণ (সামগ্ৰিক মান নিৰ্ধাৰণ/মূল্যায়ণ) কৰিব পাৰে আৰু মান নিৰ্ধাৰণ অনুশীলনৰ পৰা এটা টোকা বনাব পাৰে, যাতে এইখন চাই পিতৃ-মাতৃ, প্ৰধান শিক্ষক, স্কুল কমিটিৰ সদস্য বা পৰিদৰ্শকসকলে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা সম্পৰ্কে এক সম্পূৰ্ণ ধাৰণা ল'ব পাৰে।

বৰ্তমান, আপুনি নিশ্চয় নিৰীক্ষণ কৰিছে যে বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি জানিবলৈ গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা আৰু বছৰেকীয়া পৰীক্ষা আদি স্কুল পৰ্যায়ত অনুষ্ঠিত কৰা হয় আৰু ছাত্ৰ-

ছাত্ৰীৰ পাৰদৰ্শিতা পৰিমাপন নম্বৰ/গ্ৰেডৰ দ্বাৰা কৰা হয়। এই প্ৰক্ৰিয়াটোত সামগ্ৰিকতা নাথাকে কাৰণ ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোমুখী বিকাশৰ সুবিধা কম থাকে। তাৰোপৰি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (NPE ১৯৮৫) আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আঁচনি (NCE ২০০৫) য়ে অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ (CCE) অধিক গুৰুত্ব প্ৰদান কৰিছে। এই অধ্যায়টিত, আপোনালোকে শিক্ষণৰ মান নিৰ্ধাৰণৰ সৈতে জড়িত বিভিন্ন ধাৰণা আৰু ইয়াক কেনেকৈ অবিৰত আৰু সামগ্ৰিক হিচাপে শিক্ষণ ব্যৱস্থাৰ উন্নয়ন আৰু শিক্ষকৰ শিক্ষাদানৰ কৌশল সংশোধনৰ বাবে ব্যৱহাৰ কৰিব পাৰি তাৰ বিষয়ে জানিব পাৰিব। এই অধ্যায়টি সম্পূৰ্ণ কৰিবলৈ আপোনালোকক দহ ঘণ্টা সময়ৰ প্ৰয়োজন হ'ব।

**১৩.১ শিক্ষণ উদ্দেশ্য ঃ**

এই অধ্যায়টিৰ জৰিয়তে আপুনি

- পৰিমানপ, মান নিৰ্ধাৰণ আৰু মূল্যায়নৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- পৰিমাপন, মান নিৰ্ধাৰণ আৰু মূল্যায়নৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্য চিনাক্ত কৰিব পাৰিব।
- আশাপ্ৰদ শিক্ষণ ফলাফলৰ সৈতে মান নিৰ্ধাৰণ আৰু শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াৰ আদান-প্ৰদানক সংযুক্ত কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ শিক্ষণত সুবিধা প্ৰদানৰ বাবে বিকাশশীল আৰু সংক্ষেপী দুয়োটা প্ৰক্ৰিয়া ব্যৱহাৰ কৰিব পাৰিব।
- অবিৰত আৰু সংক্ষেপী মূল্যায়নৰ অৰ্থ, প্ৰয়োজন আৰু প্ৰক্ৰিয়া সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- অবিৰত আৰু সংক্ষেপী মূল্যায়ন (CCE) জৰিয়তে তথ্য আহৰণত গুণগত আৰু পৰিমানগত দুয়োটাকে ব্যৱহাৰ কৰিব পাৰিব।
- আপোনাৰ শিক্ষণৰ কৌশলসমূহৰ উন্নতিৰ বাবে অবিৰত আৰু সংক্ষেপী মূল্যায়নৰ ফলাফল প্ৰয়োগ কৰিব পাৰিব।

**১৩.২ শিক্ষাৰ্থীৰ অগ্ৰগতিৰ মান নিৰ্ধাৰণ ঃ**

প্ৰকৃততে এইটো সত্য যে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ কিছুমান অন্তৰ্নিহিত সামৰ্থ বা কৌশল থাকে, যিবোৰ সাৱধানেৰে প্ৰতিপালিত কৰিব লাগে। শিক্ষক হিচাপে আপোনাৰ দায়িত্ব হৈছে প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজৰ নিজৰ সামৰ্থসমূহ বিকশাই তোলাৰ ক্ষেত্ৰত সহায় কৰা। শিক্ষণ-শিকন প্ৰক্ৰিয়াত এইটো জনা দৰকাৰ আশা কৰা মতে যদি শিশুটোৱে শিক্ষণ আহৰণ কৰে তেন্তে সিহঁতৰ শিক্ষণ অগ্ৰগতি সময়তে হৈছে নে। অৱশ্যে, এইক্ষেত্ৰত অন্য এটা কাৰণ আছে। কেৱল শিক্ষকেই নহয়, মাক-দেউতাক আৰু শৈক্ষিক প্ৰশাসকসকলেও ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন বিষয় আৰু সহপাঠ্যক্ৰম কাৰ্যসূচীৰ সফলতা সম্পৰ্কে জনাৰ বাবে আগ্ৰহী। এই ক্ষেত্ৰত এটা উপায় হৈছে ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা বিষয়বোৰৰ ওপৰত অভীক্ষা আৰু পৰীক্ষা লোৱা আৰু তেওঁলোকৰ পাৰদৰ্শিতাক নম্বৰ/গ্ৰেড প্ৰদান কৰা। শিক্ষক হিচাপে আপুনি ইয়াৰ লগত ভালদৰে পৰিচিত। অৱশ্যে, আপুনি যদি শিক্ষাৰ্থীসকলক

ভালদৰে শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিব বিচাৰে, আপুনি ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাসমূহত লাভ কৰা নম্বৰ বা গ্ৰেড চাব লাগিব, যিবোৰে আপোনাক তেওঁলোকৰ শিক্ষণৰ অগ্ৰগতিৰ আভাস দিব। যেতিয়া আপুনি নম্বৰ বা গ্ৰেডৰ কথা ভাবিব তেতিয়া আপোনাৰ মনলৈ বহুধৰণৰ প্ৰশ্ন আহিব।

- বিভিন্ন বিষয়ত লাভ কৰা নম্বৰ বা গ্ৰেডে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত পাৰদৰ্শিতাক প্ৰতিনিধিত্ব কৰিবনে?
- এইবোৰে শিক্ষণৰ চানেকী বা প্ৰত্যেক শিক্ষাৰ্থীৰ শিক্ষণৰ পথ দেখুৱাবনে?
- শিক্ষণৰ সময়ছোৱাত শিক্ষাৰ্থীয়ে সন্মুখীন হোৱা কঠিনতাৰ বিষয়ে কিবা নিৰ্দেশ কৰিবনে?
- শিক্ষাৰ্থীৰ সবলতা আৰু দুৰ্বলতা থকা অঞ্চলবোৰৰ বিষয়ে তথ্যৰ যোগান ধৰিবনে?
- এইবোৰে শিক্ষণৰ বিস্তৃতি আৰু গতি সম্পৰ্কে কিবা জনাবনে?
- সকলো বিষয়সূচীৰ দিশ/অঞ্চলসমূহ আৰু সহ-বিদ্যায়তনিক সমৰ্থসমূহক গ্ৰেড বা নম্বৰ প্ৰদান কৰা হয়নে?
- উপযুক্তভাৱে শিক্ষণৰ মানদণ্ড নিৰূপণ কৰিবলৈ কিবা বিকল্প বা সহায়ক উপায় আছে নেকি?

যদি আপুনি ওপৰৰ প্ৰশ্নবোৰৰ উত্তৰ বিচাৰিবলৈ চেষ্টা কৰে, সম্ভৱতঃ তেতিয়া আমাৰসকলোৰে পৰিচিত নম্বৰ বা গ্ৰেডৰ সীমাবদ্ধতাসমূহ গম পাব। শিক্ষাৰ্থীৰ শিক্ষণৰ প্ৰকৃতি নিৰ্ণয়ৰ বাবে অন্য বহুতো পথ আছে। সেইবোৰ পদ্ধতি বুজিবলৈ, আপোনাৰ পৰিমাপনৰ ধাৰণা। মূল্যায়ণ আৰু মান নিৰ্ধাৰণৰ ওপৰত স্পষ্ট ধাৰণা থাকিব লাগিব।

**১৩.২.১ পৰিমাপন, মান নিৰ্ধাৰণ আৰু মূল্যায়ণ পৰিমাপণ ঃ**

আপোনাৰ দৈনন্দিন জীৱনত বা শ্ৰেণীকোঠাৰ পৰিৱেশত, আপোনালোক পৰিমাপনৰ সৈতে অতি পৰিচিত। সাধাৰণতে, আপুনি এনে ধৰণৰ প্ৰশ্ন সোধে— “সমবিতৰ বয়স কিমান?” “সীমা কিমান ওখ?” “ৰহিমৰ ওজন কিমান?” “শ্ৰেণীকোঠাৰ ক্ষেত্ৰফল কিমান?” “তোমাৰ কলমটোৰ দাম কিমান?” “তোমাৰ অঞ্চলৰ আজিৰ দিনটোৰ তাপমাত্ৰা কিমান?” ইত্যাদি। ওপৰৰ প্ৰশ্নসমূহত আপুনি বয়স, উচ্চতা, ওজন, অঞ্চল, দাম আৰু ডিগ্ৰীৰ পৰিমাণ জানিব বিচাৰিছে। উদাহৰণ স্বৰূপে, “সমবিতৰ ১৫ বছৰ বয়স”, “সীমাৰ উচ্চতা ১.৮ মিঃ”, ৰহিমৰ ওজন ৩৫ কিলোগ্ৰাম।” ৩৫ কিলোগ্ৰামে আচলতে কি বুজায়?

আমি যেতিয়া শাৰিৰীক বস্তুৰ পৰিমাপন কৰিবলৈ যাওঁ, তেতিয়া আমি দুটা কথা মনত ৰাখিব লাগে, (ধৰা হ’ল ৰহিমৰ ওজন) ঃ এটা সংখ্যা (৩৫) আৰু এটা পৰিমাপনৰ মাধ্যম (কিলোগ্ৰাম)। আমি এই দুটাৰ সৈতে ওজনক প্ৰকাশ কৰিব পাৰোনে? সেইটো নোৱাৰো— উক্তিবোৰ যেনে ওজন ৩৫ বা ‘ওজন, কিলোগ্ৰাম’ আদিয়ে কোনো অৰ্থ প্ৰকাশ নকৰে। সহজ ভাষাত, কোনো এটা বস্তুৰ জোখ-মাখ তাৰ বিশেষ গুণসমূহৰ (বয়স, ওজন, উচ্চতা, দৈৰ্ঘ, সময়) পৰিমাণক বুজায় আৰু পৰিমাণক জোখ-মাখৰ এককৰ দ্বাৰা (বয়সৰ বছৰ, গ্ৰাম বা কিলোগ্ৰাম ওজনৰ বাবে, দৈৰ্ঘতাৰ বাবে মিটাৰ, সময়ৰ বাবে ঘণ্টা/মিনিট ইত্যাদি) প্ৰকাশ কৰা হয়।

কোনো এটা বস্তুৰ পৰিমাপন হৈছে ইয়াৰ পৰিমাণগত বিৱৰণ।

**কার্য ১ ঃ**

কিছুমান বস্তু বা বিষয়ৰ তালিকা বনাওক। প্ৰত্যেকটো বস্তু বা বিষয়ৰ সম্ভাৱনীয় পৰিমাপণৰ মাধ্যম দেখুৱাওক। তলত এটা উদাহৰণ দাঙি ধৰা হ'ল।

| ক্ৰমিক নং | বস্তু বা বিষয়ৰ নাম | সম্ভাৱনীয় পৰিমাপণৰ মাধ্যম | পৰিমাপণৰ গোট |
|---|---|---|---|
| ১ | চাউলৰ ওজন | ওজন জোখা যন্ত্ৰ | কিলোগ্ৰাম |
| | | | |
| | | | |
| | | | |

সাধাৰণতে, কোনো বস্তুৰ যিকোনো দিশৰ পৰিমাপণৰ বাবে কিছুমান মানদণ্ড যুক্ত আহিলা বা মাপকাঠি থাকে। যেতিয়া আপুনি শ্ৰেণীৰ দৈৰ্ঘৰ পৰিমাপন কৰে, আপোনাক মিটাৰৰ মাপকাঠি এডাল লাগিব আৰু ফলাফলত ৪ মিটাৰ থকা বুলি জনাব। এক মিটাৰ দৈৰ্ঘটো হৈছে এটা স্থিৰ পৰিমাণৰ দৈৰ্ঘ, যিটো গোটেই পৃথিৱীত একে— ই হৈছে দৈৰ্ঘ পৰিমাণৰ মানদণ্ডযুক্ত মাপকাঠি। এই প্ৰক্ৰিয়াত আপুনি সাধাৰণভাৱে গুণসমূহক মানদণ্ডযুক্ত মাপকাঠিৰ সৈতে তুলনা কৰি তথ্য সংগ্ৰহ (যেনে, কমৰ দৈৰ্ঘ) কৰিব লাগে (মানদণ্ড যুক্ত মিটাৰৰ মাপকাঠি)।

এটা নিৰ্দিষ্ট সময়ত লাভ (বা লোকচান) বা অগ্ৰগতিৰ তুলনা কৰিব পাৰি। এনেবোৰ তুলনাৰ উদাহৰণ হৈছে উচ্চতা বৃদ্ধি, দুবছৰত ওজন হ্ৰাস, দুঘণ্টাত গাড়ী চলোৱাৰ মাত্ৰা বঢ়োৱা, ইত্যাদি যিবোৰক সময়ে সময়ে পৰিমাপণৰ দৰকাৰ। ভৌতিক দিশৰ পৰিমাপণৰ দিশত, তুলনাবোৰ দুটা সংখ্যাৰ অনুপাতৰ দ্বাৰা প্ৰকাশ কৰা হয় (সময় বা অংশৰ সংখ্যা) যেতিয়া আমি দুটা একে বিষয়ৰ একে দিশৰ তুলনা কৰো, একে গুণসমূহৰ পৰিমাপণৰফল উপাদানত প্ৰকাশ কৰা হয়, যেনে, ১২ মিটাৰ দৈৰ্ঘ হৈছে ৬ মিটাৰ দৈৰ্ঘৰ দ্বিগুণ বা ওলোটাকৈ ক'লে ৬ মিটাৰ হৈছে ১২ মিটাৰৰ আধা।

ওপৰত উল্লেখ কৰা সকলোবোৰ উদাহৰণ হৈছে ভৌতিক বস্তু বা প্ৰক্ৰিয়াৰ পৰিমাপণ, যিবোৰ দেখা যায়, চুব বা অনুভৱ কৰিব পাৰি আৰু সহজে পৰিমাণ উলিয়াব পাৰি। কিন্তু আমি কেনেকৈ মানৱ আচৰণ যেনে স্বচ্ছতা, সাধুতা, দৃষ্টিভংগী, সক্ৰিয়তা আদি জুখিব পাৰিম? বিভিন্ন মানৱ গুণসমূহ পৰিমাপণৰ বাবে বহুতো পদ্ধতিৰ বিকাশ হৈছে।

এগৰাকী শিক্ষক বা পিতৃ-মাতৃ হিচাপে আমি সদায় স্কুলৰ শ্ৰেণীত শিশুই ছয় মাহত কি শিকিলে (জ্ঞান, বোধ ইত্যাদি) জানিব বিচাৰো। অন্য ভাষাত ক'বলৈ হ'লে আমি শিক্ষণৰ সাফল্য জানিব বিচাৰো বা সাধাৰণভাৱে সাফল্য জানিব বিচাৰো। এটা সময়ত শিক্ষণৰ পৰা লাভ কৰা ফল আমি কেনেকৈ হিচাপ কৰিম?

স্কুলত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ সাফল্য পৰিমাপণ কৰিবলৈ শিক্ষক হিচাপে আমি তেওঁলোকক কিছুমান প্ৰশ্ন মৌখিকভাৱে সোধো বা লিখিব দিওঁ। প্ৰত্যেক শ্ৰেণীৰবিষয়ৰ মাহিলী বা ছয়মাহিলী বা বছৰেকীয়া পৰীক্ষাৰ বাবে ব্যৱস্থাগতভাৱে প্ৰশ্নকাকত প্ৰস্তুত কৰা হয়, যাক আমি পৰীক্ষা

বুলি কওঁ। যি পৰীক্ষাৰ দ্বাৰা সাফল্যৰ পৰিমাপণ কৰা হয় তাক সাফল্য বা কৃতিত্ব পৰীক্ষা বুলি কোৱা হয়। ছাত্ৰ-ছাত্ৰীয়ে লিখা প্ৰশ্নসমূহৰ উত্তৰত উপযুক্তভাৱে নম্বৰ প্ৰদান কৰি সেইবোৰৰ যোগ কৰি আমি তেওঁলোকৰ পৰীক্ষাৰ বিশেষ বিষয়টোৰ মুঠ নম্বৰ পাওঁ, যিটোৱে ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ পৰিমাপণ কৰে।

উদাহৰণ স্বৰূপে সপ্তম শ্ৰেণীৰ ছাত্ৰী জবাই ছয়মাহিলী পৰীক্ষাত বিজ্ঞান বিষয়ত ১০০ নম্বৰৰ ভিতৰত ৪০ পায়। তাইৰ কৃতিত্বক (যি শিকিলে) ১০০ মাপকাঠিত ৪০ নম্বৰ দিয়া হ'ল। অন্য ধৰণে ক'লে, গোটেই বছৰটোৰ বিজ্ঞানৰ সকলো ধাৰণা জুখিবলৈ ১০০ নম্বৰ দিয়া পৰীক্ষাটোত জবা ৪০ নম্বৰৰহে শুদ্ধ উত্তৰ দিবলৈ সক্ষম হ'ল। যদি বছৰেকীয়া পৰীক্ষাত জবাই বিজ্ঞানত ৮০ নম্বৰ পাবলৈ সক্ষম হয় তেন্তে আমি ক'ব লাগিব যে বিজ্ঞানত জবাৰ কৃতিত্ব বা সাফল্যৰ পৰিমাণ বৃদ্ধি হৈছে।

আগলৈ যোৱাৰ আগতে তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰক।

**প্ৰশ্ন ১ ঃ সুমনে শতাংশৰ ওপৰত এটা কৃতিত্বৰ পৰীক্ষা দিছিল আৰু ২৫অৰ ভিতৰত ১৫ নম্বৰ পাইছিল আৰু এমাহ পাছত সেই পৰীক্ষাটো পুনৰাবৃত্তি কৰাত তাই আগতকৈ বেছি নম্বৰ পালে। কিয়?**

আমি ক'ব পাৰো যে শিক্ষাৰ পৰিমাপণ, ভৌতিক বস্তুৰ পৰিমাপণৰ নিচিনা, ই হৈছে পৰিমাণগত দিশৰ প্ৰকাশ। কিন্তু ভৌতিক বিষয়ৰ পৰিমাপণ তুলনাৰ নিচিনা নম্বৰৰ তুলনা অনুপাতত কৰিব নোৱাৰি। ওপৰৰ উদাহৰণটোত আমি ক'ব নোৱাৰো যে জবাৰ বছৰেকীয়া পৰীক্ষাৰ কৃতিত্ব ছয়মাহিলী পৰীক্ষাৰ দুগুণ। সেইদৰে, পঞ্চম শ্ৰেণীৰ জীৱন আৰু জিন্নতে একে পৰীক্ষাত গণিত বিষয়ত একাদিক্ৰমে ৫০ আৰু ৭৫ নম্বৰ পালে। এইটো কোৱা ভুল হ'ব যে জীৱনৰ কৃতিত্ব হৈছে জিন্নতাৰ দুই-তৃতীয়াংশ। আমি ক'ব পাৰো যে জিন্নতৰ পাৰদৰ্শিতা/সাফল্য জীৱনতকৈ বেছি।

আকৌ যেতিয়া এজন ছাত্ৰই কোনো এটা বিষয়ত ১০০ নম্বৰৰ ভিতৰত ০ পায় বা ১০০ পায় তেতিয়া আমি ধাৰণা কৰিব নোৱাৰো যে ছাত্ৰজনে একো নেজানে। (০ পোৱাৰ ক্ষেত্ৰত), বা সেই বিষয়টোৰ সকলো জানে (১০০ পোৱাৰ ক্ষেত্ৰত)। আমি ক'ব পাৰো যে প্ৰথম প্ৰচেষ্টা পাৰদৰ্শিতা অতি বেয়া বা দ্বিতীয় ক্ষেত্ৰত অতি ভাল। নম্বৰৰ ওপৰত ভিত্তি কৰি আমি ছাত্ৰৰ ওপৰত গুণগত মন্তব্য দিও যেনে, বেয়া, সাধাৰণ, ভাল ইত্যাদি, যিবোৰ সদায় শুদ্ধ নহ'বও পাৰে। যদি এজন সপ্তম শ্ৰেণীৰ ছাত্ৰই ভাষা বিষয়ত ৭৫ নম্বৰ পায়, এই নম্বৰৰ পৰা ক'ব নোৱাৰি যে সি/তাই কিতাপ পঢ়ি ভাল পায়, ভাষাৰ শ্ৰেণীত বেছি মনোযোগ দিয়ে, ভাষাৰ কাৰ্যাৱলীত সক্ৰিয় অংশগ্ৰহণ কৰে, বা অন্য বৈশিষ্ট্যবোৰ থকা ইত্যাদি। যিবোৰ শিক্ষণৰ নিৰ্দেশনা হিচাপে দেখা যায় সেইবোৰ বৈশিষ্ট্য উক্তিৰ দ্বাৰা প্ৰকাশ কৰা হয়, সংখ্যাৰ দ্বাৰা নহয়। বিজ্ঞানৰ পৰীক্ষাত জবাৰ কৃতিত্ব লক্ষ্য কৰি তলৰ প্ৰশ্নৰ উত্তৰ কৰক।

**প্ৰশ্ন ২ ঃ জবাই বিজ্ঞানত পোৱা নম্বৰৰ বাহিৰে, বিজ্ঞানত তাইৰ অগ্ৰগতিৰ ক্ষেত্ৰত শিক্ষণৰ তিনিটা নিৰ্দেশক লিখক।**

**মান নিৰ্ধাৰণ (Assessment) ঃ** আপুনি যেতিয়া আপোনাৰ বাবে কাপোৰ কিনিব যাব, তেতিয়া সাধাৰণতে কি কৰে? আপুনি বহুত পোচাক বা কাপোৰ চাই আৰু বিভিন্ন দিশৰ পৰা যেনে আকাৰ, ৰং, ব্ৰেণ্ড, ভাল লগা বা কিমান দিন যাব আপোনাৰ প্ৰয়োজনমতে তাৰ তুলনা কৰি চায়। ঠিক সেইদৰে আপুনি যেতিয়া ছাত্ৰজনৰ স্কুলৰ বিষয় যেনে পৰিৱেশ অধ্যয়নৰ ক্ষেত্ৰত পাৰদৰ্শিতাৰ পৰিমাপন কৰিব

বিচাৰে এটা গোট বা পাঠ্যক্ৰমৰ অন্তত, তেতিয়া আপুনি পৰীক্ষা পাতি ছাত্ৰৰ পাৰদৰ্শিতাৰ ওপৰত নম্বৰ দিব/বা সি/তাইক প্ৰকল্প দিব পাৰে। শ্ৰেণীকোঠাৰ ভিতৰ আৰু বাহিৰত সি/তাইৰ পৰিৱেশ অধ্যয়নৰ দিশত বোধ আৰু প্ৰয়োগ সম্পৰ্কে নিৰীক্ষণ কৰিব পাৰে। শিক্ষণৰ মান নিৰ্ধাৰণ বা পৰিৱেশ অধ্যয়নৰ পাৰদৰ্শিতা, এনেদৰে পৰিৱেশ অধ্যয়ন শিক্ষণৰ বাবে সাম্ভাব্য তথ্য আহৰণৰ সৈতে জড়িত। এনে তথ্যসমূহ সংখ্যাত্মক বা পৰিমাণগত হয় নম্বৰৰ দৰে আৰু গুণগত তথ্য হৈছে এনেধৰণৰ— ধাৰণাৰ শিক্ষণৰ প্ৰতি আগ্ৰহী, শিক্ষা ধাৰণাসমূহৰ আদান-প্ৰদানৰ সমৰ্থ, বিষয়ৰ সৈতে সম্বন্ধ থকা কাৰ্যাৱলীত অংশগ্ৰহণ আৰু শিল্পৰ ফলাফলৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন কাৰ্যাৱলীসমূহ। আপোনালোকে ভালদৰে চাব যে মান নিৰ্ধাৰণ পৰিমাপনতকৈ বেছি আগবঢ়া, পৰিমাপন কেৱল সংখ্যাত্মক তথ্য সংগ্ৰহতে সীমাবদ্ধ। সংখ্যাবোৰৰ অন্তৰ্ভুক্তিৰ উপৰিও, মান নিৰ্ধাৰণ শিক্ষণৰ গুণগত দিশৰ তথ্যৰ ওপৰত ভিত্তি কৰে। শিক্ষণৰ মান নিৰ্ধাৰণৰ বাবে থকা তথ্যবোৰ বিভিন্ন আহিলা আৰু প্ৰক্ৰিয়াসমূহ ব্যৱহাৰ কৰি পোৱা উৎসসমূহৰ পৰা আহৰণ কৰিব পাৰি যেনে কৃতিত্বৰ অভীক্ষা, শ্ৰেণীকোঠা আৰু অন্য কাৰ্যাৱলীত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ, প্ৰকল্প ক্ষেত্ৰত সি/তাইৰ পাৰদৰ্শিতা আৰু কাৰ্যসমূহ আৰু অন্য পৰিৱেশত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাব পাৰে। এইটো মনত ৰাখিব লাগিব যে এটা একক পৰীক্ষাত ব্যৱহাৰ কৰা তথ্য বা একক উৎসৰ পৰা আহৰণ কৰা তথ্যই সম্পূৰ্ণৰূপে শিক্ষণৰ মান নিৰ্ধাৰণত সহায় নকৰে আৰু এইটো এই অধ্যায়ৰ ১৩.৫ শাখা বিশদভাৱে আলোচনা কৰা হ'ব।

শিক্ষণৰ মান নিৰ্ধাৰণৰ সদায় এটা নিৰ্দিষ্ট উদ্দেশ্য বা উদ্দেশ্যাৱলী থাকে। যদিও স্কুলীয়া শিক্ষাত, সকলো ধৰণৰ মানদণ্ডৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ উন্নতি সাধন কৰা, কিন্তু প্ৰতিটো মানদণ্ড নিৰ্ধাৰণে শিক্ষণৰ এক বিশেষ ঘটনাক নিৰ্দেশনা কৰে, শ্ৰেণীত শিকনৰ সময়ত শিক্ষক সন্মুখীন হয় যেনে— "পঞ্চম শ্ৰেণীত মাতৃভাষাত বাৰে বাৰে বানান ভুল কৰা" "ধাৰে নিয়া দুটা বা তিনিটা সংখ্যাৰ অংকৰ যোগৰ ক্ষেত্ৰত কৰা ভুল" "পঢ়াৰ ভংগীমাৰ ভুল" "ফুলৰ বিভিন্ন অংশৰ ভুল নিৰীক্ষণ"। কোনো শিক্ষণৰ বিশেষ দিশৰ স্থিতি জানিবলৈ শিক্ষকে ছাত্ৰ-ছাত্ৰী বিশেষ আহিলাৰ দ্বাৰা জুখিবলৈ চেষ্টা কৰে।

এনেদৰে আমি ক'ব পাৰো যে মান নিৰ্ধাৰণ হৈছে কোনো বিশেষ ঘটনাৰ গুণগত আৰু পৰিমাণগত প্ৰক্ৰিয়াৰ তথ্য সংগ্ৰহ, যাৰ ওপৰত ভিত্তি কৰি শিক্ষণ উন্নতি সাধন কৰিবলৈ বা সুবিধা দান কৰিবলৈ পদক্ষেপ হাতত ল'ব পাৰি।

**মূল্যায়ন (Evaluation) ঃ** আমি আমাৰ জীৱনৰ বহু ঘটনাৰ ওপৰত বিবেচনা কৰি সিদ্ধান্তসমূহ লওঁ। আমি গা ধোৱাৰ বাবে লগা চাবোন কিনাৰ এটা উদাহৰণ লওঁ আহকচোন। বজাৰত উপলব্ধ বিভিন্ন ধৰণৰ চাবোনৰ মাজৰ পৰা আপুনি বেছি পচন্দৰ এটুকুৰা নিৰ্বাচন কৰে। আপুনি হয়তো বিভিন্ন প্ৰশ্নবোৰ সোধে যেনে— "এইটো ব্যৱহাৰৰ বাবে কোমল নে?" "এইটোৰে ছালৰ পৰা মলি আঁতৰোৱাৰ বাবে ফেন উলিয়াইনে?" "ই ছালত কিবা প্ৰতিক্ৰয়া কৰিব নেকি?" "গোন্ধটো ধুনীয়ানে?" দামটো কমাই দিব পৰা ধৰণৰ নে?" ইত্যাদি। এনে কৌতূহলবোৰৰ উত্তৰ পোৱাৰ পাছত আপুনি আপোনাৰ বাবে চাবোন পচন্দ কৰে। উপযোগিতাৰ ভিত্তিত। বস্তুটোৰ উৎপাদনৰ পৰা আহৰণ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি আপুনি সিদ্ধান্ত লয়, আপুনি চাবোনটুকুৰা মূল্যায়ণত নিয়োজিত হয় যিটুকুৰা আপুনি কিনিবলৈ গৈ আছে। ঠিক সেইদৰে, যেতিয়া আপুনি এটা শিশুৰ শিক্ষণ অগ্ৰগতি মূল্যায়ণ কৰিব

যায়, তেতিয়া সেই শিশুটোৰ শিক্ষণৰ সৈতে জড়িত সকলো দিশেই বিবেচনা কৰিব লাগিব। শিশুটোৰ শিক্ষণৰ সৈতে জড়িত সান্তব্য সকলো গুণগত আৰু পৰিমাণগত তথ্যসমূহ উপযুক্তভাৱে আহৰণ কৰি আৰু সি/তাই শিক্ষণৰ অগ্ৰগতিৰ স্থিতিৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত লোৱাৰ আগতে সাৱধানেৰে বিশ্লেষণ কৰিব লাগিব। ওপৰৰ আলোচনাৰ পৰা, মূল্যায়ণৰ ধাৰণা তলৰ ১.৩.১ বাকচটোৰ ভিতৰত চমুকৈ দেখুওৱা হ'ল। পৰিমাণগত তথ্য আৰু/বা গুণগত তথ্য + মূল্যবোধ সিদ্ধান্ত = মূল্যায়ন

| |
|---|
| (পৰীক্ষাৰ পৰা সংগৃহীত) |
| (নিৰীক্ষণৰ পৰা সংগ্ৰহ আচৰণ বিশ্লেষণ, দপ্তৰ প্ৰকল্প কাৰ্য ইত্যাদি) |

**১৩.১ মূল্যায়ণৰ ধাৰণা ঃ**

এতিয়া শ্ৰেণী শিক্ষণক বিবেচনা কৰিলে মান নিৰ্ধাৰণ আৰু মূল্যায়ণৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্য চাও আহক।

• মান নিৰ্ধাৰণ হৈছে বিভিন্ন উৎসৰ বিভিন্ন আহিলাৰে তথ্য সংগ্ৰহ আৰু প্ৰমাণ গোটোৱা, আনহাতে মূল্যায়ণ হৈছে সংগৃহীত তথ্যক ব্যাখ্যা, বিশ্লেষণ আৰু প্ৰতিফলনৰ দ্বাৰা অৰ্থ প্ৰদান।

• মান নিৰ্ধাৰণে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ প্ৰতিপুষ্টি প্ৰদান কৰে আৰু তেওঁলোকৰ সবলতা আৰু দুৰ্বলতাসমূহ দেখুৱায়। এনে দিশসমূহৰ উন্নতিৰ বাবে অন্তদৰ্শন প্ৰদান কৰি শিক্ষণৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাত সুবিধা প্ৰদান কৰে। সংগৃহীত তথ্যৰ প্ৰমাণৰ ওপৰত মূল্যায়ন নিৰ্ভৰ কৰে, মানদণ্ড নিৰ্ধাৰণ কৰে আৰু এই মানদণ্ডৰ ক্ষেত্ৰত সফলতা বা দুৰ্বলতা নিৰ্ধাৰণ কৰে।

• দুয়োটা প্ৰক্ৰিয়াতে নিৰ্দেশনাৰ সিদ্ধান্তসমূহ ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা, শিক্ষণৰ ক্ষেত্ৰত আচৰণ আৰু এটা সময়ৰ বোধৰ উপযুক্তভাৱে পৰীক্ষা কৰি গ্ৰহণ কৰা হয়। সেইবাবে বেছিভাগ সময়তে এই দুয়োটাক একে ধৰণে ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰতটো আমি এই দুয়োটা শব্দক শিশুৰ শিক্ষণৰ সুবিধা প্ৰদান আৰু লক্ষ্য ৰখাৰ ক্ষেত্ৰত প্ৰদান কৰে।

ওপৰৰ আলোচনাৰ পৰা আমি চমুকৈ পৰিমাপণ, মান নিৰ্ধাৰণ আৰু মূল্যায়ণৰ বিষয়ে তলৰ বাকচটোত দাঙি ধৰিলো।

| |
|---|
| — পৰিমাপণ হৈছে এক প্ৰক্ৰিয়া যিয়ে বস্তুৰ গুণ বা দিশ গুণগত দিশৰ সৈতে জড়িত। |
| — মান নিৰ্ধাৰণ হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা কিছুমান জনা বস্তু বা লক্ষ্যৰ তথ্য পোৱা যায়। মূল্যায়ণে কোনো বস্তুৰ মূল্য নিৰ্ধাৰণ কৰে, এক নিৰ্দিষ্ট সময়ত গুণগত আৰু পৰিমাণগত দিশত তথ্য আহৰণ কৰে। |

**বাকচ ১৩.২**

মূল্যায়ণ, মান নিৰ্ধাৰণ আৰু পৰিমাপণৰ অৰ্থ এই ক্ষেত্ৰত আপোনালোকৰ সবলতা বৃদ্ধি কৰিবলৈ তলৰ কাৰ্যটো কৰক।

| |
|---|
| **কাৰ্যাৱলী ২**<br>পঞ্চম শ্ৰেণীৰ পৰিৱেশ অধ্যয়ন বিষয়ৰ অগ্ৰগতিৰ মান নিৰ্ধাৰণৰ তথ্য সংগ্ৰহৰ এখন তালিকা প্ৰস্তুত কৰক। |

**১৩.৩ মান নিৰ্ধাৰণৰ প্ৰক্ৰিয়া ঃ**

শিক্ষণ হৈছে এক উদ্দেশ্যপূৰ্ণ কাৰ্য। সেইবাবে, স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত যিকোনো বিষয়ৰ বিশেষ উদ্দেশ্য থাকে। এইটো আশা কৰা হয় যে প্ৰত্যেক বিষয় অধ্যয়নৰ পিছত, ছাত্ৰ-ছাত্ৰীক বিশেষ ব্যৱহাৰ/সামৰ্থৰ নিৰ্দেশনা দিয়া হয়। এই ক্ষেত্ৰত মান নিৰ্ধাৰণ নিৰ্দেশনাৰ এক গুৰুত্বপূৰ্ণ অংশ স্বৰূপ হৈ পৰে, যিহেতু ই শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ গ্ৰেড, নিৰ্দেশনাত্মক প্ৰয়োজন, পাঠ্যক্ৰম, অগ্ৰগতি স্থান নিৰ্ণয় আদিত মান নিৰ্ধাৰণৰ প্ৰভাৱ পৰে। মান নিৰ্ধাৰণে আমাক কঠিন প্ৰশ্ন সোধাৰ বাবে অনুপ্ৰাণিত কৰে “আমি যি শিকাম বুলি ভাবিছো তাক শিকাই আছোনে?” “বিষয়টো ভালদৰে শিকোৱাৰ কিবা পথ আছেনে, ভাল শিক্ষণৰ বাবে?”

এনে প্ৰশ্নৰ উত্তৰ বিচাৰোতে আপুনি শিক্ষণৰ উদ্দেশ্যসমূহ, শ্ৰেণীৰ প্ৰক্ৰিয়াসমূহ আৰু মান নিৰ্ধাৰণৰ সম্পৰ্কসমূহ চাব লাগিব। তলত এইবোৰ দাঙি ধৰা হ'ল।

**১৩.৩.১ বঞ্চিত শিক্ষণৰ ফলাফল, শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহ আৰু মান নিৰ্ধাৰণ ঃ**

শ্ৰেণীকোঠাৰ আদান-প্ৰদান প্ৰক্ৰিয়া সাধাৰণতে কিছুমান পাঠ্যক্ৰমৰ ওপৰত নিৰ্ভৰ কৰে। এনে পাঠ্যক্ৰমৰ দিশবোৰৰ বিষয়ৰ কিছুমান পাঠ্যসূচী থাকে। প্ৰত্যেক গোটেই উপনীত হ'বলৈ কিছুমান শিক্ষণৰ উদ্দেশ্য থাকে। সেইবাবে শিক্ষণ উদ্দেশ্যসমূহক ‘বাঞ্চিত শিক্ষণ ফলাফল’ বুলি কোৱা হয়। আপুনি কেনেকৈ গম পাব যে এটা গোট অধ্যায় শেষ হোৱাৰ পাছত ইয়াৰ শিক্ষণ উদ্দেশ্যত উপনীত হোৱা গৈছে? ইয়াৰ বাবে আপোনাক প্ৰয়োজন হ'ব বাঞ্চিত শিক্ষণ ফলাফলৰ মান নিৰ্ধাৰণৰ। মান নিৰ্ধাৰণৰ কাৰ্য সহজ আৰু সঠিক কৰি তুলিবলৈ বাঞ্চিত শিক্ষণ ফলাফল হ'ব লাগিব ‘বিশেষ’ ‘পৰিমাননীয়’ ঢুকি পোৱা ‘বাস্তৱ’ আৰু ‘সময় উপযোগী’ (SMART)। উদাহৰণস্বৰূপে, আমি ভূগোল শিকনৰ উদ্দেশ্যক বিশেষভাৱে দেখুৱাব পাৰো ঃ

এই বিষয়টো শেষ কৰাৰ পিছত, পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে কিছুমান গুৰুত্বপূৰ্ণ ঠাই যেনে দিল্লী, মুম্বাই, চেন্নাই আৰু কলকাতাক ভাৰতৰ মানচিত্ৰত চিনাক্ত কৰি দেখুৱাব পাৰিব।

ইয়াত ইয়াৰ বিশেষ উদ্দেশ্য থাকে, কাৰণ ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগে আৰু কেতিয়া কৰিব লাগে তাক বিশেষভাৱে দেখুৱায়। ইয়াক শিক্ষণৰ এটা কাৰ্যৰ দ্বাৰা পৰিমাপন কৰিব পাৰি। ইয়াক ছাত্ৰ-ছাত্ৰীৰ সামৰ্থৰ ভিত্তিত ৰখা হয় বাবে ইয়াত উপনীত হ'ব পাৰি। ই বাস্তৱ সত্য কাৰণ ছাত্ৰ-ছাত্ৰী মানচিত্ৰত ঠাইসমূহ দেখুৱাব পাৰে আৰু বিষয়বস্তু শেষৰ পাছত সময় অনুযায়ী কাম কৰে। বাঞ্চিত শিক্ষণ ফলাফলৰ উদাহৰণ হৈছে বিভিন্ন শ্ৰেণীৰ বিভিন্ন পাঠ্যৰ শেষত লক্ষ্যত উপনীত হ'ব পৰা সমৰ্থ। এতিয়া আহকচোন আমি পঞ্চম শ্ৰেণীৰ গণিত পাঠ্যপুথিত চকু ফুৰাও আৰু প্ৰত্যেকটো পাঠ/অধ্যায়ৰ শেষত বাঞ্চিত শিক্ষণ ফলাফল উলিয়াও। তলৰ ১৩.১ নং তালিকাত ইয়াৰ কিছুমান উদাহৰণ দেখুওৱা হ'ল।

**তালিকা ১৩.১ পঞ্চম শ্ৰেণীৰ গণিত বিষয়ৰ কিছুমান আকাংক্ষিত বা বাঞ্ছিত শিক্ষণ ফলাফল**


| বিষয় | বাঞ্ছিত শিক্ষণ ফলাফল |
|---|---|
| ভগ্নাংশ | সৰল ভগ্নাংশসমূহক সৰু সংখ্যালৈ নিয়া |
| শতাংশ | প্ৰদত্ত সংখ্যাৰ শতাংশ নিৰ্ধাৰণ বা পৰিমাপণ |

শিক্ষণ উদ্দেশ্যসমূহৰ ভিত্তিত, শিক্ষণ-শিকন সামগ্ৰীসমূহ আৰু কাৰ্যাৱলীসমূহ সজোৱা হয় আৰু সেইদৰে শ্ৰেণীকোঠাৰ আদান-প্ৰদানসমূহ সংগঠিত কৰা হয়। শ্ৰেণীৰ মত বিনিময়ৰ শেষত, ছাত্ৰ-ছাত্ৰী বাঞ্ছিত শিক্ষণ ফলাফলৰ মান নিৰ্ধাৰণ কৰা হয়। এনে সমগ্ৰ শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়া তিনিটা স্তৰত তলৰ চিত্ৰ ১৩.১ দেখুওৱা হ'ল।

(i) বাঞ্ছিত শিক্ষণ ফলাফলৰ সিদ্ধান্ত গ্ৰহণ

(ii) শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ চলোৱা আৰু সিদ্ধান্ত গ্ৰহণ

(iii) ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ অগ্ৰগতিৰ মান নিৰ্ধাৰণ




চিত্ৰ ঃ ১৩.১ শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়া

যদিও শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াৰ এই তিনিটা উপাদান যুক্তিসংগত আৰু বাস্তৱভিত্তিক, কিন্তু প্ৰকৃততে শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়া ইমান সাধাৰণভাৱে বা ৰৈখিকভাৱে আগনাবাঢ়ে। কেতিয়াবা, শিক্ষণ উদ্দেশ্যসমূহ পৰিকল্পনা আৰু শিকনক বাট দেখুৱালেও, আপুনি উদ্দেশ্য পূৰণৰ ক্ষেত্ৰত কঠিনতাৰ অভিজ্ঞতা পাব পাৰে, যেতিয়া আপুনি বিশেষ এটা ছাত্ৰ-ছাত্ৰীৰ দলৰ ফলাফল বেয়া পায়। তেনেকুৱা পৰিৱেশত, আপুনি শিক্ষণ উদ্দেশ্য সংশোধন কৰিব লাগে। ঠিক সেইদৰে, কোনো এটা বিষয়ত ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ পিছত তেওঁলোকৰ কৃতিত্বৰ মান নিৰ্ধাৰণত আশা নকৰা ধৰণে দুৰ্বলতা পাব পাৰে, তেতিয়া বাঞ্ছিত শিক্ষণ ফলাফলৰো সংশোধন প্ৰয়োজনীয় হয়। এনেদৰে প্ৰত্যেক তিনিটা শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াৰ উপাদানে ইটোৰে আনটোৰ ওপৰত প্ৰভাৱ পেলায়। সেইবাবে ১৩.১ চিত্ৰত দেখুওৱা হৈছে যে নিৰ্দেশনা দিয়া চিহ্ন একমুখী নহয়।

আমি ক'ব পাৰো যে বাঞ্ছিত শিক্ষণৰ ফলাফলৰ মান নিৰ্ধাৰণে তলৰ প্ৰশ্নবোৰ উত্তৰ দিবলৈ চেষ্টা

কৰিব।

**কাৰ্যাৱলী ৩**

প্ৰাথমিক স্তৰৰ আপুনি ভালপোৱা এটা অধ্যায়/গোট নিৰ্বাচন কৰক। ইয়াৰ মাজেৰে ভালদৰে অগ্ৰসৰ হৈ তলৰ আৰ্হিটোৰ খালী ঠাই পূৰ কৰক।

- অধ্যায়/গোটৰ বাঞ্চিত শিক্ষণ ফলাফল সংগঠন কৰক।
- শ্ৰেণীৰ আদান-প্ৰদানৰ উদ্দেশ্য প্ৰক্ৰিয়া/পদ্ধতি।
- কোন সময়ত মান নিৰ্ধাৰণ কৰা হ'ব উপদেশ দিয়ক (অধ্যায়/গোটৰ শিক্ষণৰ সময়ত/শিক্ষণৰ শেষত বা বছৰৰ শেষত) আৰু
- মান নিৰ্ধাৰণৰ সাম্ভাব্য আহিলা আৰু পদ্ধতি জনাওক (আপোনাৰ শিকন অভিজ্ঞতাৰ ফালৰ পৰা)

**শ্ৰেণী.......................** **বিষয়...........................**

গোট/পাঠৰ নাম...............................

| বাঞ্চিত শিক্ষণ ফলাফল | শ্ৰেণীৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ হোৱা প্ৰক্ৰিয়া/পদ্ধতি | কেতিয়া মান নিৰ্ধাৰণ কৰা হ'ব | সাম্ভাব্য আহিলা পদ্ধতিৰ ব্যৱহাৰ (মৌখিক/লিখিত/ ব্যৱহাৰিক/ নিৰীক্ষণীয় |
|---|---|---|---|
| | | | |
| | | | |
| | | | |

ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ গতি আৰু বিস্তৃতি কি?

- ওপৰত উল্লেখিত সকলো শিক্ষণৰ ফলাফল ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগীনে?
- শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ কোনটো দিশ অধিক উন্নতিৰ বাবে প্ৰয়োজনীয়?
- ছাত্ৰ-ছাত্ৰীৰ কোনবোৰ সবলতা আৰু দুৰ্বলতাক অধিক গুৰুত্বৰ প্ৰয়োজন?
- ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ উন্নতি আৰু আপোনাৰ প্ৰচেষ্টাৰ মান নিৰ্ধাৰণৰ মূল্যায়ণ কেনেদৰে কৰিব?

আপুনি হয়তো ভাবিব পাৰে যে মান নিৰ্ধাৰণ/মূল্যায়ণ অধ্যায়/পাঠৰ শেষত বা বিদ্যায়তনিক

বৰ্ষৰ শেষত হ'ব লাগে। অন্যহাতে, ইয়াৰ স্কুলৰশ্ৰেণী চলি থকাৰভিতৰত যিকোনো সময়তে কৰিব পাৰি, যেতিয়া শিক্ষকে চাবলৈ মন কৰে যে তেওঁৰ শিক্ষণ-শিকনে ছাত্ৰ-ছাত্ৰীক শিক্ষণৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰিব পাৰিছেনে নাই? শ্ৰেণীকোঠাৰ আদান-প্ৰদান আৰু শিক্ষণৰ ফলাফলৰ মান নিৰ্ধাৰণৰসম্বন্ধ বুজিবলৈ তলৰ কাৰ্যাৱলীসমূহ সম্পাদন কৰিব।

**১৩.৩.২ বিকাশশীল আৰু সংক্ষেপী মূল্যায়ণ ঃ**

উদ্দেশ্যসমূহৰ ওপৰত ভিত্তি কৰি মান নিৰ্ধাৰণ ভিন্ন প্ৰকাৰৰ হ'ব পাৰে, যেনে— আনুষ্ঠানিক (গোট বা বছৰেকীয়া পৰীক্ষা) বা অনানুষ্ঠানিক (যেনে শ্ৰেণীৰ আদান-প্ৰদানৰ সময়ত ছাত্ৰ-ছাত্ৰীৰসৈতে শিক্ষকৰ কথা বা ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলীৰ অনানুষ্ঠানিক নিৰীক্ষণ)

উদ্দেশ্য (আগতীয়াকৈ স্থিৰ হৈ থকা ফলাফল কেন্দ্ৰ কৰা) বা বিষয়কেন্দ্ৰিক (ব্যক্তিগত পাৰ্থক্য, প্ৰয়োজন আৰু কৃতিত্বও অধিক গুৰুত্ব প্ৰদান) নিৰ্ণায়ক আধাৰিত (দলীয় মানদণ্ডৰ বিপক্ষে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ তুলনা) বা (ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা পাৰদৰ্শিতা আৰু ইচ্ছাকৃত পাৰদৰ্শিতাৰ তুলনা)

আগতে উল্লেখ কৰা হৈছে যে শিক্ষণ প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে মান নিৰ্ধাৰণ। ইয়াক বিকাশশীল আৰু সংক্ষেপী মান নিৰ্ধাৰণ স্বৰূপে দুটা ভাগত ভাগ কৰিব পাৰি। এই দুয়োটাৰ বিষয়ে আলোচনা কৰো আহক।

**বিকাশশীল মান নিৰ্ধাৰণ ঃ**

বিকাশশীল মান নিৰ্ধাৰণ হৈছে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মান নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ এক প্ৰসাৰ, যাক শিক্ষকসকলে শিক্ষণ-শিকন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰী সাফল্যৰ উন্নতি সাধন কৰে। ই হৈছে সাধাৰণভাৱে প্ৰচলিত এক প্ৰক্ৰিয়া যাক শিক্ষকসকলে এটা উপযুক্ত পৰিৱেশত ছাত্ৰ-ছাত্ৰী কাৰ্যাৱলী অবিৰতভাৱে নিৰীক্ষণৰ বাবে ব্যৱহাৰ কৰে। ই ছাত্ৰ আৰু শিক্ষকৰ বাবে গুণগত প্ৰতিপুষ্টি অন্তৰ্ভুক্ত কৰে, যিয়ে পাঠ্যসূচী আৰু ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাত গুৰুত্ব আৰোপ কৰে আৰু এনে মান নিৰ্ধাৰণত ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ বা সমনীয়া দলো অন্তৰ্ভুক্ত থাকে।

**বিকাশশীল মান নিৰ্ধাৰণে শিক্ষকক সহায় কৰে ঃ**

— ছাত্ৰ-ছাত্ৰী, তেওঁলোকৰ পিতৃ-মাতৃ আৰু অন্য শিক্ষকক প্ৰতিপুষ্টি (মান নিৰ্ধাৰণৰ ফলাফলৰ জ্ঞান) প্ৰদান, শিক্ষণ প্ৰক্ৰিয়া বা শুদ্ধ নিৰ্দেশনাত যাতে ছাত্ৰ-ছাত্ৰীসকলে আগবাঢ়িব পাৰে তাৰ বাবে আপুনি অভিৰোচিত কৰিব পাৰে।

— পৰৱৰ্তী শিক্ষণ-শিকন কাৰ্যাৱলী আৰু অভিজ্ঞতাৰ সংশোধন। আপুনি যদি মান নিৰ্ধাৰণক প্ৰতিপুষ্টিৰ দ্বাৰা নিৰীক্ষণ কৰে, যদি আপোনাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে আশা কৰাতকৈ নিম্ন মানৰ পাৰদৰ্শিতা দেখুৱায়, তেতিয়া আপুনি শিক্ষণ-শিকনৰ কৌশল আৰু পদ্ধতিক নতুনকৈ সজাই ছাত্ৰ-ছাত্ৰীৰ নিৰীক্ষণ প্ৰয়োজন অনুসৰি খাপ খুৱাব পাৰে। দলীয় চিনাক্তকৰণ আৰু প্ৰতিকাৰমূলক বা ব্যক্তিগত দুৰ্বলতাসমূহ। উদাহৰণস্বৰূপে, আপুনি যদি গম পায় যে আপুনি শিকোৱা কথাবোৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱা নাই, তেতিয়া আপুনি অতিৰিক্ত শ্ৰেণী ল'ব পাৰে বা তেওঁলোকৰ পাৰদৰ্শিতা বঢ়াবলৈ সময়মতে অন্য কাৰ্য হাতত ল'ব পাৰে। অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতা দিশবোৰ

উলিয়াই প্ৰতিকাৰৰ বাবে কাৰ্য হাতত ল'ব পাৰে। তাৰোপৰি এনে ছাত্ৰ-ছাত্ৰীৰ বাবে কিছুমান সহায়ক সামগ্ৰীও যোগান ধৰিব পাৰে।

— ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিৰ্হিত সামৰ্থৰ চিনাক্তকৰণ আৰু তেওঁলোকৰ সমৰ্থৰ উন্নীতকৰণৰ বাবে সুবিধা প্ৰদান, গঠনমূলক মান নিৰ্ধাৰণৰ পৰা পোৱা প্ৰতিপুষ্টিয়ে বহুতো ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দিশৰ সবলতা, সৃজনমূলক সমৰ্থ আদি দেখুৱাই। শিক্ষক হিচাপে আপুনি তেওঁলোকৰ গুণসমূহ উপযুক্ত অভিজ্ঞতাৰে প্ৰতিপালন কৰিবলৈ সুবিধা পায়।

**বিকাশনী বা গঠনমূলক মান নিৰ্ধাৰণৰ প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীক সহায় কৰে ঃ**

সি/তাইৰ শিক্ষণৰ অগ্ৰগতি লক্ষ্য ৰখা আৰু আত্ম শিক্ষণত সহায় কৰা।

গ্ৰেড লাভৰ বাবে সি/তাইক আঁতৰাই অনা আৰু আত্মক্ষমতা বৃদ্ধিৰ বাবে সহায় কৰা।

তেওঁলোকে কেনেকৈ শিকে তাক উন্নত কৰিবলৈ http./en.wikipedia.org/wiki/metacognition সচেতন হ'ব লাগে।

বেছিভাগ ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণৰ ক্ষেত্ৰত অবিৰতভাৱে সহায় পাবলৈ আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, যাৰ ফলত শিক্ষণৰ ক্ষেত্ৰত নিজৰ সবলতা কমকৈ জ্ঞাত হয়। কিন্তু গঠনমূলক মান নিৰ্ধাৰণৰপৰা যদি নিয়মিত ৰূপত পাব পৰা যায় তেতিয়া তেওঁলোকে নিজৰ প্ৰক্ৰিয়া সম্পৰ্কে সচেতন হয়। ইয়ে তেওঁলোকক শিক্ষণত নিজৰ পাৰদৰ্শিতা বৃদ্ধি কৰাত উৎসাহ প্ৰদান কৰে।

বাহ্যিক অভিৰোচনৰ নেতিবাচক প্ৰভাৱ কমোৱা।

এইটো পোৱা গৈছে যে শিক্ষণৰ ক্ষেত্ৰত নিজ পথ আৰু নিজ প্ৰক্ৰিয়াসমূহ সংশোধনৰ সমৰ্থ সম্পৰ্কে যদি তেওঁলোক এবাৰ সচেতন হয়, তেতিয়া তেওঁলোকে আৰু ভালকৈ শিকিব পাৰে। তেওঁলোকৰ নিজ শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰতি সচেতনতা আৰু সেই কাৰ্যসমূহ সংশোধনৰ সমৰ্থই তেওঁলোকৰ শিকনৰ ক্ষেত্ৰত আভ্যন্তৰীণ অভিৰোচনৰ কাম কৰে। তেওঁলোকৰ কাৰ্যসমূহ বাহ্যিক অভিৰোচনৰ ক্ষেত্ৰত অনিশ্চিত নহয় যেনে পৰীক্ষাৰ বাবে শিক্ষণ বা স্বৰ্ণপদক লাভ কৰিবলৈ শিকা ইত্যাদি।

তেওঁলোকৰ পাৰদৰ্শিতা বিশেষভাৱে উন্নতি কৰিবলৈ তেওঁলোকৰ আত্মমৰ্যদা বৃদ্ধি, আভ্যন্তৰীণ অভিৰোচনৰ দ্বাৰা তেওঁলোকৰ আত্ম-শিক্ষণক আগবঢ়াই নিয়া আৰু এনেদৰে শিক্ষকৰ কাৰ্যৰ ভাৰ কমোৱা। মান নিৰ্ধাৰণৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ গুণগত মান উন্নত কৰা আৰু ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰা বা গ্ৰেড প্ৰদান কৰা নহয়। ই পাঠ্যক্ৰমৰ সংশোধনক আগবঢ়াই নিয়ে যেতিয়া বিশেষ পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ ফলাফল সন্মুখীন হ'ব নোৱাৰে। ই শিক্ষকসকলক পাঠ্যক্ৰমৰ লক্ষ্য আৰু উদ্দেশ্যৰ নক্সা আৰু চিনাক্তকৰণত নিয়োগ কৰি নিৰ্দেশাত্মক গুণৰ উন্নতি কৰিব পাৰে আৰু লগতে কাৰ্যসূচীত পাঠ্যক্ৰমত প্ৰভাৱ পেলাব পাৰে।

গঠনাত্মক মান নিৰ্ধাৰণৰ বৈশিষ্ট্যসমূহ চমুকৈ আৰু ছাত্ৰ শিক্ষকৰ পাৰদৰ্শিতাৰ ক্ষেত্ৰত ই লোৱা ভূমিকা তলৰ ১৩.৩ বাকচৰ ভিতৰত দাঙি ধৰা হ'ল।

**গঠনাত্মক মান নিৰ্ধাৰণ বা বিকাশশীল মান নিৰ্ধাৰণ ঃ**

• ছাত্ৰ-ছাত্ৰীৰ পূৰ্ব জ্ঞান আৰু অভিজ্ঞতাৰ ওপৰত কি শিকোৱা হ'ব তাৰ নক্সা প্ৰস্তুত কৰা।

• ইয়াক অনানুষ্ঠানিক ৰূপত নিয়মিতভাৱে পাতিব লাগে।

• ই কাৰণ নিৰ্ধাৰক আৰু প্ৰতিকাৰমূলক।

• উপযুক্ত প্ৰতিপুষ্টিৰ সুবিধা প্ৰদান।

• নিজ শিক্ষণৰ ক্ষেত্ৰত সক্ৰিয় অংশ ল'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীক এক মঞ্চ প্ৰদান।

• শিক্ষকক প্ৰতিপুষ্টি প্ৰদানৰ ফলত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ কৌশল সমাযোজন কৰিব পাৰে।

• ছাত্ৰ-ছাত্ৰীৰ আভ্যন্তৰীণ অভিৰোচন আৰু আত্মমৰ্যাদাক উৎসাহ প্ৰদান, এই দুয়োটাৰ শিক্ষণৰ পাৰদৰ্শিতা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে।

• ছাত্ৰ-ছাত্ৰীৰ নিজ মান নিৰ্ধাৰণৰ বাবে তেওঁলোকৰ প্ৰয়োজনক চিনাক্তকৰণ আৰু কেনেদৰে উন্নত কৰিব পাৰি তাক বুজা।

• শিক্ষণৰ বিভিন্ন ধৰণসমূহ একত্ৰিত কৰি কেনেকৈ আৰু কি শিকোৱা হ'ব তাক স্থিৰ কৰা।

• ছাত্ৰ-ছাত্ৰীৰ লক্ষণসমূহক উৎসাহিত কৰা, যিবোৰ তেওঁলোকৰ কামৰ বিবেচনাৰ বাবে ব্যৱহাৰ কৰা হয়।

• প্ৰতিপুষ্টি লাভ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ কাৰ্যৰ উন্নতি সাধনৰ বাবে সুবিধা প্ৰদান কৰিব লাগে।

• সমনীয়া বা তেনে কোনো দলক সমৰ্থন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক সহায় কৰা।

**বাকচ ১৩.৩ সংক্ষেপী মান নিৰ্ধাৰণৰ বৈশিষ্ট্যসমূহ ঃ**

সংক্ষেপী মান নিৰ্ধাৰণ হৈছে শিক্ষণৰ মান নিৰ্ধাৰণ, যিয়ে এক বিশেষ সময়ত ছাত্ৰ-ছাত্ৰীৰ বিকাশক 'সংক্ষিপ্তকৰণ' কৰে। এই হৈছে নিৰ্দিষ্ট সময়ত ছাত্ৰ-ছাত্ৰীৰ মান নিৰ্ধাৰণৰ (গ্ৰেড বা স্থান) প্ৰক্ৰিয়া। পৰীক্ষাৰ প্ৰক্ৰিয়াসমূহ যেনে পাঠ্যক্ৰমৰ শেষত হোৱা পৰীক্ষা, নিৰ্দিষ্ট সময়ৰ অন্তত বা বছৰেকীয়া আদিবোৰ হৈছে সংক্ষেপী মান নিৰ্ধাৰণৰ উদাহৰণ আৰু যিবোৰ অভীক্ষা সংক্ষেপী মান নিৰ্ধাৰণৰ ক্ষেত্ৰত ব্যৱহাৰ হয় তাক সংক্ষেপী অভীক্ষা বোলা হয়। গঠনাত্মক অভীক্ষাসমূহ সীমাবদ্ধ উদ্দেশ্য বা পাঠ্যসূচীৰ ওপৰত ভিত্তি কৰি কৰা হয়, সংক্ষেপী অভীক্ষাসমূহে সমগ্ৰ পাঠ্যক্ৰম আৰু আকাংক্ষিত শিক্ষণ ফলাফলৰ পৰীক্ষা লয় আৰু মান নিৰ্ধাৰণৰ সময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্বৰ সকলো কথাই দাঙি ধৰে। শিক্ষণ-শিকন পৰিৱেশত, সাধাৰণতে সমগ্ৰ পাঠ্যক্ৰমৰ শেষত সংক্ষেপী মানদণ্ড দিয়া হয়, যাতে গোটেই পাঠ্যক্ৰমটোৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কিমানখিনি জ্ঞান আহৰণ কৰিব পাৰিছে তাক জানিব পৰা যায় আৰু তেওঁলোকে নিৰ্দিষ্ট বিদ্যায়তনিক মানদণ্ডৰ পাঠ্যক্ৰম আয়ত্ব কৰিব পাৰিছেনে তাক গম পোৱা যায়। এনে পৰীক্ষাসমূহ আনুষ্ঠানিকভাৱে পতা হয় আৰু প্ৰশ্ন সোধা ৰচনাত্মক, পৰীক্ষা বা প্ৰকল্প আদিৰ

মাধ্যমত কৰা হয়। সংক্ষেপী মান নিৰ্ধাৰণৰ বৈশিষ্ট্যসমূহ তলৰ ২৩.৪ বাকচত দেখুওৱা হ'ল।

| |
|---|
| **সংক্ষেপী মান নিৰ্ধাৰণ (Summative Assessment) ঃ** |
| • ই হৈছে শিক্ষণ পাৰদৰ্শিতাৰ মান নিৰ্ধাৰণ যিবোৰ কোনো এটা পাঠ্যক্ৰমৰ শেষত বা পাঠ্যক্ৰমৰ এটা অধ্যায়ৰ অন্তত অনুষ্ঠিত কৰা হয়। |
| • সাধাৰণতে, ই ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক বছৰৰ শেষত তেওঁলোকে পাঠ্যক্ৰমৰ কিমান আয়ত্ব কৰিলে তাক জানিবৰ বাবে অনুষ্ঠিত কৰা হয়। |
| • ছাত্ৰ-ছাত্ৰীৰ কাৰ্যৰ মূল্যায়ন কৰিবলৈ বেছিকৈ ব্যৱহৃত প্ৰচলিত মান নিৰ্ধাৰণৰ পদ্ধতিসমূহ ব্যৱহাৰ কৰা হয়। |
| • ফলাফলসমূহ ছাত্ৰ-ছাত্ৰীৰ স্থান বা গ্ৰেড প্ৰদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। |
| • ফলাফলসমূহ ছাত্ৰ-ছাত্ৰীৰ স্থান বা গ্ৰেডৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়, যিবোৰ বিস্তৃত ধৰণৰ বিদ্যায়তনিক হস্তক্ষেপৰ পৰিকল্পনাৰ বাবে প্ৰয়োজন, কৃতিত্বৰ ক্ষেত্ৰত আন্তঃ আৰু বাহ্যিক স্কুলৰ তুলনা। |

(Source : Continous and comprehensive Evaluation : Manual for Teachers, CBSE, 2010)

**১৩.৪ সংক্ষেপী মান নিৰ্ধাৰণৰ বৈশিষ্ট্যসমূহ ঃ**

গঠনাত্মক আৰু সংক্ষেপী মান নিৰ্ধাৰণৰ মাজত থকা পাৰ্থক্যসমূহ তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা ১৩.২**

গঠনাত্মক আৰু সংক্ষেপী মান নিৰ্ধাৰণৰ মাজত থকা পাৰ্থক্যসমূহ ঃ

| **বিকাশশীল বা গঠনাত্মক মান নিৰ্ধাৰণ** | **সংক্ষেপী মান নিৰ্ধাৰণ** |
|---|---|
| ইয়াক ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ পৰিমাণ নিৰ্ধাৰণ আৰু তেওঁলোকে বৰ্তমান কিমান শিকিব আছে তাৰবাবে ব্যৱহাৰ কৰা হয়। | নিৰ্দিষ্ট পাঠ্যক্ৰমৰ শেষত ছাত্ৰ-ছাত্ৰীৰ সমগ্ৰ পাৰদৰ্শিতা নিৰ্ধাৰণৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়। |
| শিক্ষণৰ পদ্ধতি নিৰ্ধাৰণৰ বাবে শিক্ষকক সুযোগ দিয়া হয় আৰু স্কুলৰ বছৰটোত পাঠ বুজাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ দিয়া হয়। | যদি ছাত্ৰ-ছাত্ৰী উপযুক্ত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম নহয় তেন্তে শিক্ষকসকলক তেওঁলোকৰ শিক্ষণ পদ্ধতিৰ পৰিৱৰ্তন কৰিবলৈ অনুমতি দিয়া হয়। |

| | |
|---|---|
| ইয়াত গ্ৰেডৰ বেছি তাৎপৰ্য নেথাকে। | ইয়াত ছাত্ৰ-ছাত্ৰীৰ ৰাজ্যভিত্তিক পৰীক্ষাৰ প্ৰস্তুতি আৰু গোটেই বিদ্যায়তনিক পাৰদৰ্শিতাৰ ভিত্তিত গ্ৰেডপ্ৰদান কৰা হয়। |
| শিক্ষণ-শিকন প্ৰক্ৰিয়াত সঘনে এনে পৰীক্ষাসমূহ অনুষ্ঠিত কৰা হয়। | পাঠ্যক্ৰমৰ শেষত ইয়াক অনুষ্ঠিত কৰা হয়। |
| ই কম পৰিমাণে আনুষ্ঠানিক, স্কুল পৰ্যায়ত শ্ৰেণীৰ শিক্ষকৰ দ্বাৰা কৰা হয়। | আনুষ্ঠানিক, জিলা/ৰাজ্যিক নিৰ্দেশ অনুযায়ী স্কুল পৰ্যায়ত অনুষ্ঠিত কৰা হয়। |
| ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুযায়ী নমনীয় হয়।<br>প্ৰক্ৰিয়া ভিত্তিক | ই নমনীয় নহয়, এনে ধৰণে সকলোকে পৰীক্ষা পতা হয় আৰু নম্বৰ প্ৰদানো একেধৰণে হয়।<br>ফলাফল ভিত্তিক। |

চমুকৈ ক'বলৈ হ'লে সংক্ষেপী আৰু গঠনাত্মক বা বিকাশশীল মান নিৰ্ধাৰণ শিক্ষণৰ ক্ষেত্ৰত ব্যৱহৃত হয়, সংক্ষেপী মান নিৰ্ধাৰণ শিক্ষণৰ মান নিৰ্ধাৰণত আৰু গঠনাত্মক মান নিৰ্ধাৰণ শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ ক্ষেত্ৰত। শিক্ষণৰ মান নিৰ্ধাৰণৰ প্ৰকৃতি সাধাৰণতে সংক্ষেপী ধৰণৰ, যি শ্ৰেণীৰ পাঠ্যক্ৰম, যামায়িক বা বিদ্যায়তনিক বছৰৰ শেষত অনুষ্ঠিত হয় আৰু শিক্ষণৰ ফলাফল পৰিমাপণ কৰে আৰু ফলাফলসমূহ ছাত্ৰ-ছাত্ৰী, পিতৃ-মাতৃ আৰু প্ৰশাসনিক বিষয়াক জনায়।

শিক্ষণৰ বাবে মান নিৰ্ধাৰণ সাধাৰণতে গঠনাত্মক প্ৰকৃতিৰ, ই শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিত লক্ষ্য ৰখাৰ ক্ষেত্ৰত সহায় কৰে আৰু সেই অনুসৰি নিৰ্দেশনাৰ সংশোধন কৰাত সহায় কৰে। তাৰোপৰি ই ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজ অগ্ৰগতিত লক্ষ্য ৰখাত সহায় কৰে কাৰণ তেওঁলোকে সমনীয়া আৰু শিক্ষকৰ পৰা প্ৰতিপুষ্টি লাভ কৰে আৰু তেওঁলোকৰ চিন্তা-চৰ্চা উন্নত কৰাৰ বাবে সুবিধা লাভ কৰে। যিয়েই নহওক, এইটো মনত ৰাখিব লাগিব যে গঠনাত্মক মান নিৰ্ধাৰণ হৈছে সংক্ষেপী মান নিৰ্ধাৰণৰ পৰিপূৰক আৰু এই দুয়ো প্ৰকাৰৰ মান নিৰ্ধাৰণৰ শিক্ষণ প্ৰক্ৰিয়াত নিজা নিজা গুৰুত্ব আছে।

**প্ৰশ্ন ৩ ঃ সংক্ষেপী মান নিৰ্ধাৰণত গঠনাত্মক মান নিৰ্ধাৰণতকৈ নম্বৰৰ গুৰুত্ব অধিক কিয়? কাৰণ দেখুৱাওক।**

### ১৩.৪ অবিৰত আৰু সামগ্ৰিক মূল্যায়ণ (CCE) ঃ

মূল্যায়নে কেৱল ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আৰু কৃতিত্বৰে পৰিমাপন নকৰে, ই পাঠ্যক্ৰমৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ হোৱা শিক্ষণ-শিক্ষন আহিলা আৰু পদ্ধতিকো পৰিমাপন কৰে। ই হৈছে পাঠ্যক্ৰমৰ এক এৰাব নোৱৰা উপাদান যাৰ উপযুক্ত উদ্দেশ্য আছে আৰু শিক্ষন-শিকন প্ৰক্ৰিয়াৰ অধিক উন্নতি হয়। সেইবাবে, ই কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষকৰ বাবেও গুৰুত্বপূৰ্ণ।

আমি প্ৰায়ে মাত দিও যে মূল্যায়ন বা মান নিৰ্ধাৰণ শিক্ষকৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ওপৰত অনুষ্ঠিত কৰা হয় শিক্ষণৰ গুৰুত্বপূৰ্ণ স্তৰত। শিক্ষণ অনুশীলনৰ শেষত যেতিয়া মূল্যায়ন দেখা যায়, শিক্ষক আৰু

ছাত্ৰ-ছাত্ৰী উভয়ে ইয়াক শিক্ষন-শিকন প্ৰক্ৰিয়াৰ বাহিৰত ৰাখে, মান নিৰ্ধাৰণক বহলভাৱে আগবঢ়াই নিয়াটো পাঠ্যক্ৰমৰ বাবে উপযুক্ত নহয়। তেনে ধৰণৰ ধাৰণা ছাত্ৰ-ছাত্ৰীৰ উৎকণ্ঠা আৰু মানসিক হেচাৰ সৈতে জড়িত হয়। অন্যহাতে, মূল্যায়ণ যদি শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ হয়, তেতিয়া ই অবিৰত হয়। শিক্ষণৰ সকলো পৰিৱেশেই মূল্যায়ণৰো পৰিৱেশ। যেতিয়া ইয়াক শিক্ষণ-শিকন প্ৰক্ৰিয়াত ইয়াক অন্তৰ্ভুক্ত কৰা হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ অভীক্ষা আৰু পৰীক্ষাৰ প্ৰতি ভয় নেথাকে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সবলতা আৰু দুৰ্বলতাসমূহ চিনাক্ত কৰিব পাৰি। এবাৰ যদি ছাত্ৰ-ছাত্ৰীৰ সবলতাৰ অনুসন্ধান কৰিব পৰা যায়, তেতিয়া তেওঁলোকৰ বাবে প্ৰয়োজনীয় প্ৰতিকাৰমূলক শিক্ষণৰ ব্যৱস্থা হাতত ল'ব পাৰি আৰু শিক্ষণৰ কঠিনতাবোৰ আঁতৰাব পাৰি। লগতে তেওঁলোকৰ শিক্ষণৰ স্তৰ আগবঢ়াই নিবলৈ উপযুক্ত কাৰ্যব্যৱস্থা হাতত ল'ব পাৰি।

স্কুলৰ মূল্যায়ণ প্ৰক্ৰিয়াৰ পৰিসৰে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তি বিকাশৰ প্ৰায় সকলোবোৰ দিশকে সামৰি লয়। ই বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দুয়োটা দিশকে সামৰি লয়, যাক সামগ্ৰীক বুলি কোৱা হয়। উদাহৰণস্বৰূপে, গণিতৰ নম্বৰ বা গ্ৰেডে বিদ্যায়তনিক সামৰ্থৰ প্ৰতিনিধিত্ব কৰে আৰু বিষয়টোৰ প্ৰতি দৃষ্টিভংগী, মনোযোগে সহ-বিদ্যায়তনিক সামৰ্থক প্ৰতিনিধিত্ব কৰে। উভয় দিশৰে আন্তঃসম্বন্ধ আছে আৰু শিক্ষাৰ লক্ষ্যত একে দিশলৈ ধাবমান হয়। যদি অবিৰতভাৱে মূল্যায়ন প্ৰক্ৰিয়া চলি থাকে তেন্তে ছাত্ৰ-ছাত্ৰীৰ সবলতা আৰু দুৰ্বলতাসমূহ দেখা যায় আৰু তেওঁলোকক উন্নতিৰ বাবে সুযোগ প্ৰদান কৰা হয়। তাৰোপৰি ই শিক্ষকসকলকো প্ৰতিপুষ্টি প্ৰদান কৰে যাতে শিকন কৌশলসমূহৰ সংশোধন কৰিব পাৰে।

**১৩.৪.১ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ (CEE)ৰ ধাৰণা, প্ৰক্ৰিয়া আৰু প্ৰয়োজনীয়তা ঃ**

শিক্ষাই শিক্ষাৰ্থীসকলৰ সৰ্বতোমুখী বিকাশত সহায় কৰে। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ সংজ্ঞানাত্মক, অনুভূতিমূলক আৰু মনো-সঞ্চালনমূলক বৃদ্ধিৰ ক্ষেত্ৰত অবিৰত আৰু সামগ্ৰিক মূল্যায়ণক ৰখা হয়। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ সৈতে সংজ্ঞানাত্মক বিকাশ জড়িত। (যেনে, ছাত্ৰ-ছাত্ৰীৰ জ্ঞান, বোধ, প্ৰয়োগ, বিশ্লেষণ, সংশ্লেষণ আৰু মূল্যায়ণ)। অনুভূতিমূলক বৃদ্ধিয়ে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী, মনোযোগ আৰু ব্যক্তিত্ব বিকাশত জোৰ দিয়ে। মনো-দৈহিক বৃদ্ধি ছাত্ৰ-ছাত্ৰীৰ কাৰ্য কৰাৰ সামৰ্থ বা ব্যৱহাৰিক কাৰ্যৰ সৈতে জড়িত। সেইবাবে শিক্ষন-শিকন প্ৰক্ৰিয়াই যদি ছাত্ৰ-ছাত্ৰীৰ সৰ্বোতমুখী বিকাশ কৰিব লাগে, তেন্তে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ণ অবিৰত আৰু সামগ্ৰিক বিধৰ হোৱা উচিত।

শিক্ষাৰ গুণগত মানৰ বিকাশ আনিবলৈ আৰু ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে মূল্যায়ন প্ৰক্ৰিয়াই বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক দিশবোৰৰ বিকাশত উপযুক্তভাৱে গুৰুত্ব দিব লাগে। সামগ্ৰিকমূল্যায়নো নিয়মিত ৰূপত গোটেই বিদ্যায়তনিক বছৰটোত নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত কৰিব লাগে।

এতিয়া প্ৰাথমিক স্কুলত প্ৰচলন হৈ থকা মূল্যায়ণৰ অনুশীলনবোৰ বিশ্লেষণ কৰক আৰু তলৰপ্ৰশ্নবোৰৰ উত্তৰ কৰিবলৈ চেষ্টা কৰক।

• সি/তাই কিজানে তাৰ এখন সম্পূৰ্ণ চিত্ৰ ই দাঙি ধৰিব পাৰেনে আৰু সি/তাই বাস্তৱ জীৱনত কি প্ৰয়োগ কৰিব পাৰে?

• ই ছাত্ৰ-ছাত্ৰীৰ সামৰ্থৰ বিষয়ে কিবা কয়নে?

• ই শিক্ষকক কিবা ভাল কৰাৰ ক্ষেত্ৰত সহায় কৰেনে?

• মূল্যায়ণৰ ফলাফলে শিক্ষক আৰু পৰিকল্পনাকাৰীক শিক্ষাৰ গুণগত মান উন্নত কৰাৰ ক্ষেত্ৰত সহায় কৰেনে?

আপোনালোকে অনুভৱ কৰিব যে উপযুক্ত সন্তুষ্টিৰ উত্তৰ পাব পৰা নাযায়। অবিৰত আৰু সামগ্রিক প্রয়োজনীয়তা স্পষ্ট আৰু আমি ক'ব পাৰো যে অবিৰত আৰু সামগ্রিক মূল্যায়ণ (CEE) তলৰ উল্লেখ কৰা দিশবোৰৰ বাবে প্রয়োজন ঃ

• শিক্ষাৰ বিদ্যায়তনিক আৰু অবিদ্যায়তনিক দিশৰ মান নির্ধাৰণ জৰিয়তে ছাত্ৰ-ছাত্ৰীক আধ্যাত্মিক দিশৰ প্রয়োজনীয়তা যোগান ধৰা;

• বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্রতিভাৰ চিনাক্তকৰণ;

• ছাত্ৰ-ছাত্ৰীৰ পাৰদর্শিতা বৃদ্ধি কৰিবলৈ কৌশলসমূহ চিনাক্ত কৰা;

• স্কুলৰ উন্নতিৰ বাবে সামগ্রিক মূল্যায়ণ কার্যসূচীৰ পৰিকল্পনা কৰা;

• অবিৰত আৰু সামগ্রিক মূল্যায়ণৰ বাবে উপযুক্ত আহিলা আৰু পদ্ধতিসমূহৰ উল্লেখ কৰা।

• স্কুল আৰু ছাত্ৰ-ছাত্ৰীৰ অবিৰত অগ্রগতিৰ বাবে মূল্যায়ণক আহিলা হিচাপে ব্যৱহাৰ কৰা;

• স্কুলৰ প্রশাসন, পিতৃ-মাতৃ আৰু সম্প্রদায়ক অবিৰত আৰু সামগ্রিক মূল্যায়ণ সম্পর্কে সচেতন কৰিবলৈ পথ আৰু কৌশল দেখুওৱা।

(Source : Continous and Comprehensive Evalution Manual for Teachers, CBSE 2010)

'অবিৰত' শব্দটোৰে সেই মূল্যায়ণ বুজায় যিবোৰ ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি আৰু বিকাশৰ চিনাক্তকৰণ দিশ, সমগ্র শিক্ষণ-শিকন প্রক্রিয়াৰ ওপৰত ভিত্তি কৰি গঠন কৰা হয় আৰু সমগ্র বিদ্যায়তনিক সময়ছোৱাত বিস্তৃত হৈ থাকে। ইয়াৰ অর্থ হৈছে নিয়মিত মান নির্ধাৰণ, সঘনে গোট পৰীক্ষা অনুষ্ঠিত কৰা, শিক্ষণৰ ব্যৱধান চিনাক্তকৰণ, শুদ্ধ কৰাৰ উপায় অৱলম্বন কৰা, ছাত্ৰ আৰু শিক্ষকৰ আত্ম মূল্যায়ণৰ বাবে পুনঃ পৰীক্ষা আৰু প্রতিপুষ্টি প্রদান কৰা।

'সামগ্রিক' শব্দটোৰ অর্থ হৈছে এই প্রক্রিয়াই ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি আৰু বিকাশৰ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক উভয় দিশকে সামৰি লয়। যিহেতু সামর্থ, আগ্রহ, দৃষ্টিভংগী আৰু বিশেষ প্রতিভা ইত্যাদিবোৰ স্পষ্টভাৱে বিভিন্ন কার্যত প্রকাশ পায়, এই শব্দটোৰে বিভিন্ন আহিলা আৰু পদ্ধতিৰ প্রয়োগক বুজায় (পৰীক্ষা আৰু পৰীক্ষা নোহোৱা) আৰু ইয়াৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ বিকাশৰ কিছুমান দিশত যেনে জনা, বুজা, প্রয়োগ কৰা, বিশ্লেষণ কৰা, মূল্যায়ণ কৰা আৰু নতুনকৈ উলিওৱা আদিৰ মান নির্ধাৰণ কৰা। সেইবাবে আমি অবিৰত আৰু সামগ্রিক মূল্যায়ণক (CCE) তলত দিয়া ধৰণে সংজ্ঞা দিব পাৰো।

| |
|---|
| অবিৰত আৰু সামগ্রিক মূল্যায়ণ (CCE) হৈছে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ পাৰদর্শিতাৰ এক প্রক্রিয়া, য'ত বিভিন্ন দিশৰ যেনে সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালনমূলক দিশৰ গঠনাত্মক আৰু সংক্ষেপী মূল্যায়ণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সর্বোতমুখী বিকাশ কৰা হয়। |

**অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ বৈশিষ্ট্যসমূহ ঃ**

• ই হৈছে স্কুলভিত্তিক মূল্যায়ণ যিয়ে ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ সকলো দিশকে সামৰি লয়।

• অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ (CCE) অবিৰত দিশটোৱে নিৰৱচ্ছিন্ন আৰু নিয়মিত ব্যৱধানত হোৱা বুজায়।

• নিৰৱিচ্ছিন্নৰ অৰ্থ হৈছে ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা নিৰ্দেশনাৰ আৰম্ভণিৰ পৰা মান নিৰ্ধাৰণ কৰা (স্থান নিৰ্ধাৰণৰ মূল্যায়ণ) আৰু নিৰ্দেশনাৰ প্ৰক্ৰিয়াৰ সময়ত মান নিৰ্ধাৰণ কৰা (গঠনাত্মক মূল্যায়ণ), যিটো অনানুষ্ঠানিকভাৱে বিভিন্ন প্ৰকাৰৰ পদ্ধতি ব্যৱহাৰেৰে মূল্যায়ণ কৰা হয়।

• নিয়মিত ব্যৱধানৰ অৰ্থ হৈছে কিছুমান মানদণ্ড ব্যৱহাৰ কৰি গোট/এটা অধ্যায়ৰ শেষত সঘনে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ মান নিৰ্ধাৰণ।

• অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ উপাদান (CCE) 'সামগ্ৰিক' শব্দটোৱে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ সকলো দিশৰ বিকাশক সামৰি লয়। ই ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিৰ বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক সকলো দিশৰ মান নিৰ্ধাৰণক অন্তৰ্ভুক্ত কৰে।

• বিদ্যায়তনিক দিশে বিষয়ৰ বিশেষ দিশক সামৰি লয়, আনহাতে সহ-বিদ্যায়তনিক দিশে ব্যক্তিগত-সামাজিক গুণসমূহ সহ-পাঠ্যক্ৰমিক কাৰ্যসূচী, দৃষ্টিভংগী আৰু মূল্যবোধ আদিক অন্তৰ্ভুক্ত কৰি লয়।

• বিদ্যায়তনিক দিশৰ মান নিৰ্ধাৰণ বিভিন্ন পদ্ধতিৰ প্ৰয়োগেৰে মূল্যায়ণ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োধৰণে অবিৰত আৰু সময় অনুযায়ী কৰা হয়। চিনাক্তকৰণ মূল্যায়ণ গোট/অধ্যায়ৰ শেষ পৰীক্ষা হিচাপে লোৱা হয়। দুৰ্বল পাৰদৰ্শিতাৰ কাৰণ আৰু দুৰ্বল পাৰদৰ্শিতাৰ দিশসমূহ চিনাক্তকৰণ পৰীক্ষাৰ জৰিয়তে বাচি উলিওৱা হয়। এইবোৰৰ বাবে উপযুক্ত ব্যৱধানত পুন পৰীক্ষাৰ প্ৰয়োজন।

• সহ বিদ্যায়তনিক দিশৰ মান নিৰ্ধাৰণত চিনাক্ত গুণাৱলীৰ ভিত্তিত বিভিন্ন পদ্ধতি বা কৌশলসমূহ অৱলম্বন কৰা হয়, আনহাতে ব্যক্তিগত-সামাজিক গুণাৱলীৰ মান নিৰ্ধাৰণ কিছুমান মান নিৰ্ধাৰণ আৰু চিহ্নাংকন সূচীৰ নিৰ্দেশকৰ আধাৰত কৰা হয়। (Source : Position paper, Nati and Focus Group : Examination Reform p.25)

আমি এতিয়া অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ (CCE) উদ্দেশ্যসমূহ চাওঁ আহক।

**অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ উদ্দেশ্যসমূহ (CCE) ঃ**

• ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোসঞ্চালনমূলক দিশৰবিকাশত সহায় কৰা।

• চিন্তা প্ৰক্ৰিয়াক অধিক গুৰুত্ব দিয়া আৰু মনত ৰখা শক্তিক কম গুৰুত্ব দিয়া।

• মূল্যায়নক শিক্ষন-শিকন প্ৰক্ৰিয়াৰ এক এৰাব নোৱৰা অংশ হিচাপে গঢ়ি তোলা।

• মূল্যায়নক ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ উন্নতি আৰু শিক্ষণ-শিকন কৌশলক নিয়মিত চিনাক্তকৰণৰ

দ্বাৰা প্ৰতিকাৰমূলক নিৰ্দেশনাৰ বাবে ব্যৱহাৰ কৰা।

- মূল্যায়নক প্ৰকৃত পাৰদৰ্শিতা আৰু ইচ্ছাকৃত পাৰদৰ্শিতাৰ মাজৰ দূৰত্ব পূৰোৱাৰ গুণগত নিয়ন্ত্ৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰা আৰু আকাংক্ষিত পাৰদৰ্শিতাৰ মানদণ্ড পূৰণ কৰা।
- ছাত্ৰ-ছাত্ৰী, শিক্ষন প্ৰক্ৰিয়া আৰু শিক্ষণৰ পৰিৱেশ সম্পৰ্কে উপযুক্ত সিদ্ধান্ত লোৱা।
- শিক্ষণ প্ৰক্ৰিয়া আৰু শিকনক শিক্ষণকেন্দ্ৰিক কাৰ্যস্বৰূপে গঢ়ি তোলা।

(Source : Continous and Comprehensive Evaluation Manual for Teacehers CBDE, 2010)

**বাকচ ১৩.৫ ঃ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ উদ্দেশ্যসমূহ (CCE)**

এনেদৰে আমি ক'ব পাৰো যে অবিৰত আৰু সামগ্ৰিক মূল্যায়ণে ছাত্ৰ-ছাত্ৰীৰ আৱেগিক, বৌদ্ধিক, শাৰিৰীক, সাংস্কৃতিক আৰু সামাজিক বিকাশ অবিৰত বৃদ্ধিৰ ওপৰত অধিক গুৰুত্ব দিয়ে আৰু সেইবাবে ই কেৱল ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক সাফল্যৰ মান নিৰ্ধাৰণতে সীমাবদ্ধ নাথাকে। অবিৰত আৰু সামগ্ৰিক মূল্যায়নে মান নিৰ্ধাৰণক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক প্ৰতিপুষ্টি প্ৰদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলেও উপযুক্ত পৰিৱৰ্তনেৰে শিক্ষণৰ উন্নতি সাধন কৰে। ই ছাত্ৰ-ছাত্ৰীসকলক অভিৰোচিত কৰে আৰু তেওঁলোকৰ স্থান নিৰ্ণয়ৰ এক সামগ্ৰিক চিত্ৰ দাঙি ধৰে।

**প্ৰশ্ন ৪ ঃ শিক্ষক হিচাপে যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ণ কৰে, তেতিয়া আপুনি কি কৰে আৰু কি কৰাৰ পৰা নিজকে বিৰত কৰে?**

**১৩.৪.১ অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ (CCE) পৰিমাণগত আৰু গুণগত তথ্যৰ ব্যৱহাৰঃ**

মূল্যায়ণৰ পদ্ধতিসমূহ আৰু সিহঁতে উৎপন্ন কৰা তথ্যসমূহক দুটা মৌলিক ভাগত ভাগ কৰিব পাৰি— গুণগত আৰু পৰিমাণগত। সাধাৰণতে, পৰিমাণগত পদ্ধতিসমূহে 'কঠিন সংখ্যা' (Hard numbers) উৎপন্ন কৰে, আনহাতে গুণগত পদ্ধতিসমূহে বৰ্ণনামূলক তথ্যক সামৰি লয়। আপোনালোকে সাধাৰণতে মূল্যায়ণৰ বাবে ব্যৱহাৰ কৰা পদ্ধতিসমূহ উদ্দেশ্যসমূহৰ দ্বাৰা নিৰ্ধাৰিত হয় আৰু সম্পদসমূহ আপোনালোকে সজাই ব্যৱহাৰ কৰিব লাগে। শিক্ষকসকলে কি কৰা উচিত? তেওঁলোকে 'সংখ্যা আৰু 'সংখ্যাৰ বৰ্ণনাৰ ব্যাখ্যা' দুয়োটা লাগে। সেইবাবে, গুণগত আৰু পৰিমাণগত দুয়োটা পদ্ধতিয়ে বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ সম্পৰ্কে এক উন্নত আৰু সামগ্ৰিক বোধ দাঙি ধৰে।

একেবাৰে তৃণমূল পৰ্যায়ত, তথ্যসমূহক পৰিমাণগত বুলি ধৰা হয় যদিহে সেইবোৰ সংখ্যাত্মক হয় আৰু গুণগত বুলি ধৰা হয় যদিহে সেইবোৰ শব্দৰ ৰূপত থাকে। যিয়েই নহওক, গুণগত তথ্যই ফটো, ভিডিঅ', শ্ৰৱণ বাণীবন্ধন আৰু অন্য নিলিখা তথ্যও অন্তৰ্ভুক্ত কৰিব পাৰে। উদাহৰণ স্বৰূপে, যেতিয়া আপুনি কয় 'পঞ্চম শ্ৰেণীত সোমাই গণিতত ১০০ৰ ভিতৰত ৮০ পাইছে' এইটো এটা পৰিমাণগত দিশক নিৰ্দেশনা কৰে যে সোমাই গণিতত কি পাইছে। কিন্তু যেতিয়া আপুনি কয় 'টপুৰে ভাল নাচে' বা 'মহেশৰ হাতৰ আখৰ অতি উত্তম' বা 'অক্ষৰ গীতে সকলোকে আকৰ্ষণ কৰে' এনেবোৰে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত গুণক প্ৰতিনিধিত্ব কৰে।

তথ্য সংগ্ৰহৰ বাবে বিভিন্ন পদ্ধতি আছে। কিছুমান পদ্ধতিয়ে গুণগত তথ্য দাঙি ধৰে আৰু কিছুমান পদ্ধতিয়ে পৰিমাণগত তথ্য দাঙি ধৰে। পৰিমাণগত পদ্ধতিসমূহে (যেনে— পৰীক্ষা, প্ৰশ্নাৱলী, মনোবৈজ্ঞানিক অভীক্ষা ইত্যাদি) সংখ্যা আৰু বাৰংবাৰতাত অৰ্থ আৰু অভিজ্ঞতা প্ৰদান কৰা তথ্যতকৈ অধিক গুৰুত্ব দিয়ে, যিবোৰ সহজে পৰিসাংখ্যিকভাৱে বিশ্লেষণ কৰিব পাৰি। তাৰোপৰি এইসমূহৰ নিৰ্ভৰযোগ্যতা আছে কিন্তু কম বিৱৰণমূলক। গুণগত পদ্ধতিসমূহ (যেনে ঘটনা বিৱৰণ আৰু সাক্ষাৎকাৰ আদি) যিবোৰ পৰিসাংক্ষিকিয় দিশতকৈ অৰ্থৰ বিৱৰণৰ সৈতেহে অধিক জড়িত। এনে পদ্ধতিসমূহে গভীৰ আৰু উপযুক্তভাৱে কোনো বস্তুৰ বিৱৰণ দিয়ে আৰু ইয়াৰ প্ৰকৃতি হৈছে বিষয়কেন্দ্ৰিক।

গুণগত আৰু পৰিমাণগত তথ্য সংগ্ৰহৰ বিভিন্ন আহিলাসমূহ আৰু পদ্ধতিসমূহ তলৰ ১৩.৩ তালিকাত দেখুওৱা হ'ল—

**তালিকা ১৩.৩ গুণগত আৰু পৰিমাণগত তথ্য বিশ্লেষণৰ আহিলা আৰু পদ্ধতিসমূহ**

| **পৰিমাণগত** | **গুণগত** |
|---|---|
| • কৃতিত্বৰ অভীক্ষা | • নিৰীক্ষণ, সাক্ষাৎকাৰ, ঘটনা বিৱৰণ, প্ৰকল্প, কাৰ্য, স্থান নিৰ্ধাৰণ |
| • জৰীপ | • মুখ্য দলীয় আলোচনা |
| • প্ৰশ্নাৱলী | • ক্ষেত্ৰ অধ্যয়ন, ডায়েৰী |
| • পূৰ্ব/পৰৱৰ্তী অভীক্ষা | • ভিডিঅ', ফটো, শ্ৰৱণ বাণীবন্ধন |
| • তথ্যভিত্তিক | • তথ্যসম্বলিত (বিৱৰণ, সভা) |

গুণগত আৰু পৰিমাণগত তথ্যসমূহৰ মাজৰ পাৰ্থক্য কি? গুণগত আৰু পৰিমাণগত তথ্যসমূহৰ মাজৰ পাৰ্থক্যসমূহ তলৰ ১৩.৪ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা ১৩.৪ গুণগত আৰু পৰিমাণগত তথ্যৰ পাৰ্থক্য**

| **পৰিমাণগত তথ্য** | **গুণগত তথ্য** |
|---|---|
| 'কোন' 'কি' 'কেতিয়া', 'কিমান' আৰু 'কিমান পৰিমাণ' আদিৰ ব্যাখ্যা | 'কেনেকৈ' আৰু 'কিয়' ব্যাখ্যা |
| সংখ্যাৰ সৈতে কাৰ্য তথ্য প্ৰকৃতভাৱে নিৰীক্ষণ আৰু পৰিমাপন কৰিব পাৰি | বিৱৰণৰ সৈতে কাৰ্য তথ্যসমূহ পোনপতীয়াভাৱে নিৰীক্ষণ আৰু মান নিৰ্ণয় কৰিব নোৱাৰি। |
| সাধাৰণতে জৰীপকৰণৰ দ্বাৰা বৃহৎ পৰিমাণৰ প্ৰতিক্ৰিয়া পাব পাৰি। | তথ্যসমূহ ব্যক্তিগতভাৱে সংগ্ৰহ বা দলীয় সংগ্ৰহ কৰা হয়। |

| | |
|---|---|
| ই গুৰুত্বপূৰ্ণ, কাৰণ ইয়াৰ তথ্যসমূহ গাণিতিকভাৱে কৰা হয় আৰু পাৰিসাংখ্যিকভাৱে বিশ্লেষণ কৰা হয়। | যেতিয়া কিছুমান তথ্যৰ প্ৰয়োজন হয় যেনে এটা বিশেষ পৰিৱেশত ছাত্ৰসকলে কি ভাবে আৰু তেওঁলোকে কাক অগ্ৰাধিকাৰ দিয়ে এই ক্ষেত্ৰত ই উপযোগী। "ছাত্ৰ-ছাত্ৰীসকলে কিয় এনে ব্যৱহাৰ কৰিছে?" এনেবোৰ দিশতো ই ই উপযোগী। |
| ইয়াৰ বস্তুনিষ্ঠতা, নিৰ্ভৰযোগ্যতা আৰু সাধাৰণীকৰণৰ যোগ্যতা আছে, কিন্তু গভীৰ বিৱৰণ নাথাকে। | ই সাধাৰণীকৰণ হ'ব পাৰে। |
| তথ্যসমূহ এনেধৰণৰ আহিলাৰ দ্বাৰা পঠোৱা হয়। ই যিকোনো পৰিপ্ৰেক্ষিতত হ'ব পাৰে। | গুণগত তথ্যৰ বাবে ইয়াৰ ভিত্তি গুৰুত্বপূৰ্ণ। |

বহুবিকল্প উৎসৰ পৰা তথ্যসমূহে শিক্ষণৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাত সহায় কৰে, যিবোৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ ফলাফল বৃদ্ধি কৰে। বহুবিকল্প উৎসসমূহে সাধাৰণ গঠনাত্মক আৰু সংক্ষেপী মান নিৰ্ধাৰণ, পাৰদৰ্শিতামূলক মান নিৰ্ধাৰণ, নিৰীক্ষণ, আৰ্হিকাৰ্য, স্থান নিৰ্ধাৰণ, কাৰ্য, প্ৰকল্প আৰু আত্ম-বিৱৰণ ইত্যাদি আদিক অন্তৰ্ভুক্ত কৰে। তথ্যৰ বহুবিকল্প উৎসসমূহৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এক সমতুল্য আৰু সামগ্ৰিক বিশ্লেষণ দাঙি ধৰিব পাৰে, যিটো একক উৎসৰ তথ্যৰ ক্ষেত্ৰত সম্ভৱ নহয়। আপোনাকে অনুভৱ কৰিব যে, তথ্যই অকলে জ্ঞাত সিদ্ধান্ত গ্ৰহণ আৰু সফলতা বৃদ্ধি কৰিব পাৰে। শিক্ষণৰ সৈতে সম্বন্ধ সিদ্ধান্ত ল'বলৈ তথ্যৰ বিশদ বিশ্লেষণ আৰু প্ৰয়োজনীয়।

**১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো ঃ**

- পৰিমাপন হৈছে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা কোনো বস্তুৰ সংলক্ষণ বা দিশসমূহৰ পৰিমাণ সম পোৱা যায়।
- মান নিৰ্ধাৰণ হৈছে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা কিছুমান জ্ঞান বস্তু বা লক্ষ্য সম্পৰ্কে তথ্য পাব পৰা যায়।
- মূল্যায়ন হৈছে বস্তুৰ মূল্যৰ বিচাৰ, এক নিৰ্দিষ্ট সময়ৰ ভিতৰত গুণগত বা পৰিমাণগত তথ্য ইয়াৰ দ্বাৰা আহৰণ কৰিব পাৰি।
- সমগ্ৰ শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াৰ তিনিটা প্ৰধান উপাদান বা স্তৰ আছে, যেনে— (i) আকাংক্ষিত শিক্ষণৰ ফলাফলৰ সিদ্ধান্ত (ii) শ্ৰেণীকোঠাৰ আদান-প্ৰদান কাৰ্য আৰু পৰিকল্পনা (iii) শিক্ষণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মান নিৰ্ধাৰণ।

• আকাংক্ষিত শিক্ষণ ফলাফলসমূহ ‘বিশেষ’ ‘পৰিমাপনীয়’ ‘ঢুকি পোৱা’ ‘বাস্তৱ’ আৰু ‘সময় সাপেক্ষ’ (Smart)

• শিক্ষণৰ গঠনাত্মক স্তৰত কৰা মান নিৰ্ধাৰণ, অৰ্থাৎ যেতিয়া এজন ছাত্ৰ শিক্ষণ প্ৰক্ৰিয়াত থাকে, তেতিয়া তাক গঠনাত্মক বা বিকাশশীল মান নিৰ্ধাৰণ বোলা হয়। ই হৈছে এটা চলি থকা প্ৰক্ৰিয়া যিটো সাধাৰণতে শিক্ষকে ভয়লগা আৰু সহযোগী পৰিৱেশত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি নিৰীক্ষণৰ বাবে ব্যৱহাৰ কৰে। এনে ধৰণৰ মান নিৰ্ধাৰণে ছাত্ৰ-ছাত্ৰীক বা (আত্ম-মাননিৰ্ধাৰণ) সমনীয়া দলক অন্তৰ্ভুক্ত কৰে। ইয়াক সাধাৰণতে শিক্ষণ শিকন প্ৰক্ৰিয়া চলি থকা সময়ত কৰা হয় যাতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক অবিৰতভাৱে প্ৰতিপুষ্টি প্ৰদান কৰিব পাৰি।

• সংক্ষেপী মান নিৰ্ধাৰণ হৈছে শিক্ষণৰ মান নিৰ্ধাৰণ যিয়ে এক বিশেষ সময়ত ছাত্ৰ-ছাত্ৰীৰ বিকাশক সংক্ষেপীকৰণ কৰে। ই হৈছে এটা সময়ত ছাত্ৰ-ছাত্ৰীৰ মান নিৰ্ধাৰণৰ (গ্ৰেড বা স্থান) প্ৰক্ৰিয়া। শিক্ষণ-শিকন পৰিৱেশত সংক্ষেপী মূল্যায়নক এটা পাঠ্যক্ৰমৰ শেষত সাধাৰণতে অনুষ্ঠিত কৰা হয়, য’ত ছাত্ৰ-ছাত্ৰীক গ্ৰেড প্ৰদান কৰি সমগ্ৰ পাঠ্যসূচীৰ অন্তত কিমান আয়ত্ব কৰিলে তাক জোখা হয় আৰু তেওঁলোকে নিৰ্ধাৰিত বিদ্যায়তনিক বিষয়বস্তু আয়ত্ব কৰিব পাৰিছেনে তাক চোৱা হয়। সংক্ষেপী মূল্যায়নসমূহ আনুষ্ঠানিকভাৱে পতা হয়— প্ৰশ্নেসোধা, ৰচনা, পৰীক্ষা বা প্ৰকল্পৰ যোগেদি।

• অবিৰত আৰু সামগ্ৰিক মূল্যায়নত, ‘অবিৰত’ শব্দটোৱে ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি আৰু বিকাশৰ পৰিচিত দিশত গুৰুত্ব দিয়ে, ই হৈছে শিক্ষণ-শিকনৰ এক অবিৰত প্ৰক্ৰিয়া আৰু সমগ্ৰ বিদ্যায়তনিক বৰ্ষত ই থাকে। ই হৈছে নিয়মিত মান নিৰ্ধাৰণ, সঘনে হোৱা গোট পৰীক্ষা, শিক্ষণৰ দূৰত্ব চিনাক্তকৰণ, উপযুক্ত শুদ্ধ উপায় গ্ৰহণ, আত্ম-মূল্যায়ণৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক পুনঅভীক্ষাৰ সুবিধা প্ৰদান। ‘সামগ্ৰিক’ শব্দটোৰ অৰ্থ হৈছে মূল্যয়নৰ এই প্ৰক্ৰিয়াটোৱে ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি আৰু বিকাশৰ বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দুয়োটা দিশকে সামৰি লয়।

• অবিৰত আৰু সামগ্ৰিক মূল্যায়ন হৈছে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ এক প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীৰ সৰ্বোতমুখী বিকাশ গঠনাত্মক আৰু সংক্ষেপী মূল্যায়নৰ দ্বাৰা বিভিন্ন ক্ষেত্ৰত কৰা হয় যেনে— সংজ্ঞানাত্মক, আনুভূতিক আৰু মনো-সঞ্চালনমূলক।

• মূল্যায়নৰ পদ্ধতিসমূহ আৰু সেইবোৰে সৃষ্টি কৰা তথ্যবোৰক দুটা মৌলিক ভাগত ভাগ কৰা হয়; পৰিমাণগত আৰু গুণগত। সাধাৰণতে, পৰিমাণগত পদ্ধতিসমূহে ‘কঠিন সংখ্যা’ উৎপন্ন কৰে আৰু গুণগত পদ্ধতিবোৰে ‘বৰ্ণনামূলক তথ্য’ সামৰি লয়। গুণগত আৰু পৰিমাণগত দুয়োবিধ পদ্ধতিয়ে বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ এক উপযুক্ত আৰু সামগ্ৰিক বোধৰ সৃষ্টি কৰে। এনে পদ্ধতিসমূহ সাধাৰণতে মূল্যায়নৰ উদ্দেশ্য/উদ্দেশ্যসমূহৰ ক্ষেত্ৰত ব্যৱহাৰ হয়।

• পৰিমাণগত পদ্ধতিসমূহ (যেনে— পৰীক্ষা, প্ৰশ্নাৱলী আৰু মনোবৈজ্ঞান অভীক্ষা ইত্যাদি) হৈছে সেইবোৰ পদ্ধতি যিবোৰে অৰ্থ আৰু অভিজ্ঞতাতকৈ সংখ্যা আৰু বাৰংবাৰতাত অধিক গুৰুত্ব দিয়ে আৰু এনে তথ্য দাঙি ধৰে যিবোৰ বিশ্লেষণৰ বাবে সহজ আৰু নিৰ্ভৰযোগ্য কিন্তু বৰ্ণনামূলক নহয়। গুণগত পদ্ধতিসমূহ (যেনে ঘটনা বিৱৰণ আৰু সাক্ষাৎকাৰ আদি) হৈছে তথ্য আহৰণৰ উপায় যিবোৰ পৰিসাংখকীয় দিশতকৈ বেছি অৰ্থ বৰ্ণনামূলক আৰু বিষয়বস্তুৰ অধিক বিৱৰণ দাঙি ধৰে।

**১৩.৬ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি প্ৰশ্নাৱলীসমূহ ঃ**

**প্ৰশ্ন ১ ঃ সুমনে এটা শতাংশৰ কৃতিত্বৰ অভীক্ষা দিছিল আৰু ২৫ৰ ভিতৰত ১৫ পাইছিল। যদি তাই এমাহ পিছত এই পৰীক্ষাটো পুনৰাবৃত্তি কৰে তেন্তে তাই আগতকৈ বেছি নম্বৰ পাব পাৰে, ইয়াৰ সাম্ভাব্য কাৰণসমূহ হৈছে—**

- তাই হয়তো উত্তৰবোৰ মনত ৰাখিব পাৰে।

- তাই এই পৰীক্ষাটো ভালদৰে অনুশীলন কৰিব পাৰে।

- তাই শিক্ষক/পিতৃ-মাতৃ/সমনীয়াৰ সৈতে আলোচনা কৰি নিজৰ ধাৰণা শুদ্ধ কৰি তুলিব পাৰে।

**প্ৰশ্ন ২ ঃ জৰাই বিজ্ঞানৰ পোৱা নম্বৰৰ উপৰিও আপুনি তলৰ পৰা যিকোনো তিনিটা দিশ তাইৰ বিজ্ঞান শিক্ষণ অগ্ৰগতিৰ ক্ষেত্ৰত নিৰ্বাচন কৰিব পাৰে—**

- প্ৰকৃতি আৰু প্ৰকৃতিৰ উপাদানসমূহৰ নিৰীক্ষণৰ কৌশল।

- পৰীক্ষণৰ কৌশল।

- বস্তুনিষ্ঠভাৱে বিশ্লেষণৰ, বিভাজন আৰু সংশ্লেষণৰ কৌশল।

- বিজ্ঞানভিত্তিক প্ৰকল্পসমূহ অনুষ্ঠিত কৰা।

- প্ৰশ্ন সোধাৰ কৌশল ইত্যাদি।

**প্ৰশ্ন ৩ ঃ সংক্ষেপী মান নিৰ্ধাৰণত নম্বৰৰ গুৰুত্ব গঠনাত্মক মান নিৰ্ধাৰণতকৈ অধিক, কাৰণ সংক্ষেপীমান নিৰ্ধাৰণ—**

- গোটেই পাঠ্যক্ৰমৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কিমান শিকিলে তাক নিৰ্ধাৰণ কৰা আৰু নিৰ্ধাৰিত বিদ্যায়তনিক মানদণ্ড পূৰণ কৰিব পাৰিছেনে।

- কোনো এটা পাঠ্যক্ৰমৰ শেষত এজন ছাত্ৰৰ স্থান আনবোৰ ছাত্ৰৰ সৈতে তুলনা কৰি নিৰ্ধাৰণ কৰা।

- পাঠ্যক্ৰমত গ্ৰেড লাভৰ বাবে ছাত্ৰ-ছাত্ৰীক সহায় কৰা।

**প্ৰশ্ন ৪ ঃ এগৰাকী শিক্ষক হিচাপে যেতিয়া ছাত্ৰ-ছাত্ৰীক মূল্যায়ণ কৰে, তেতিয়া—**

- ছাত্ৰ-ছাত্ৰীক শিক্ষণ আৰু বিভিন্ন বিষয়ত অগ্ৰগতিৰ তথ্য আহৰণ কৰিবলৈ বিভিন্ন উপায় অৱলম্বন কৰিব লাগে।

- তথ্যবোৰ অবিৰতভাৱে সংগ্ৰহ কৰি সেইবোৰ টুকি থ'ব লাগে।

- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়াৰ ধৰণ, শিক্ষণ আৰু তাৰ বাবে সি/তাইক প্ৰয়োজন হোৱা সময়ৰ ওপৰত গুৰুত্ব দিব লাগে।

- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া প্ৰতি সচেতন হ'ব লাগে আৰু অবিৰতভাৱে জনাব লাগে।

- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া প্ৰতি সচেতন হ'ব লাগে আৰু অবিৰতভাৱে জনাব লাগে।
- এগৰাকী শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ মূল্যায়ণৰ ক্ষেত্ৰত তলৰ দিশবোৰ কৰিব নালাগে।
    - পিছপৰা, বেয়া, বুধিয়ক আদিৰ ভাগ কৰা
    - তেওঁলোকৰ মাজত তুলনা কৰা
    - নেতিবাচক উক্তি প্ৰেৰণ কৰা

**১৩.৭ অধিক জানিবলৈ ঃ**

- মনোজ কুমাৰ চুতীয়া ঃ শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিমাপন
- ৰুকুশ শৰ্মা ঃ শৈক্ষিক পৰিমাপন

**১৩.৮ অধ্যায়ৰ শেষৰ অনুশীলনী ঃ**

১। ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ অগ্ৰগতিৰ ক্ষেত্ৰত সংক্ষেপী আৰু গঠনাত্মক মান নিৰ্ধাৰণৰ ভূমিকা বৰ্ণনা কৰা।

২। শিক্ষক হিচাপে আপুনি আপোনাৰ স্কুলত অবিৰত আৰু সামগ্ৰিক মূল্যায়ণ (CCE) কেনেদৰে প্ৰয়োগ কৰিব?